Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 17, 2025 ■ সোমবাৰ, ৪ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫২ Guwahati, Assam ।। মূল্যঃ এটকা

## আজিৰে পৰা বাজেট অধিৱেশন




বিতং বাতৰি ৮ নং পৃষ্ঠাত

## মাস্কে বন্ধ কৰিলে ভাৰতৰ বিশেষ অনুদান

নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰীঃ ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত বিদেশী অনুদানৰ অভিযোগক লৈ সূচনা শেষাংশ ২ পৃষ্ঠাত

## পত্নীক হত্যা কৰি থানা পালে ৰুবুল শৰ্মা



ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ গুৱাহাটীৰ মাজমজিয়াত পৰপুৰুষৰ ২ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীৰ টাৰ্গেটত এজন বেনামী বিষয়া

ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পূৰ্বেই ঘোষণা কৰা অনুসৰি আজি ২ পৃষ্ঠাত চাওক



ঘৰলৈ... আমেৰিকাই ধৰি-বান্ধি পঠিওৱা ভাৰতীয়সকলৰ একাংশ, দেওবাৰে

### উৰাবাতৰিৰ বাবে সৃষ্টি বিভীষিকাৰ!

## দিল্লীৰ ৰেল ষ্টেচনত সৃষ্টি অশান্ত পৰিস্থিতিত মৃত্যু ১৮ তীৰ্থযাত্ৰীৰ



নতুন দিল্লী, ১৭ ফেব্ৰুৱাৰীঃ কুম্ভমেলাক কেন্দ্ৰ কৰি পুনৰ নামিল মৃত্যুৰ বিভীষিকা। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত ৩ পৃষ্ঠাত চাওক

### বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনক লৈ আছুৰে বৈঠক মুখ্যমন্ত্ৰীৰ

# গৌৰৱ নহয়, পাক শ্বেখৰ বিৰুদ্ধেহে গোচৰ কেবিনেটৰ

■ আছুৰ পৰামৰ্শমৰ্মে মাটি বেচা-কিনা, অসমীয়া বাধ্যতামূলক কৰাৰ সিদ্ধান্ত অসম কেবিনেটৰ



ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে বৈঠক অনুষ্ঠিত কৰাৰ পিছতে কেবিনেট অনুষ্ঠিত কৰে। আছুৰে হোৱা দ্বিপাক্ষিক বৈঠকত অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী ৪ পৃষ্ঠাত চাওক




### দিছপুৰত আগ্ৰাসী ৰূপত গৌৰৱ!

## পাক আইএছআইক ভাৰতলৈ মাতি আনিছিল প্ৰধানমন্ত্ৰী মোদীয়ে



ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে স্পৰ্শকাতৰ বিষয় লৈ উদ্বিগ্ন হৈ পৰা মুখ্যমন্ত্ৰী হিমন্ত ৩ পৃষ্ঠাত চাওক

### প্ৰধানমন্ত্ৰীৰ ভ্ৰমণেও নিদিলে সকাহ

## আকৌ হাত-ভৰি বান্ধি পঠিয়ালে অনুপ্ৰৱেশকাৰীক

অমৃতসৰ, ১৬ ফেব্ৰুৱাৰীঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা ভ্ৰমণেও সন্মান ঘূৰাই দিবলৈ সক্ষম নহ'ল অনুপ্ৰৱেশকাৰী ৪ পৃষ্ঠাত চাওক

**১১৬ জন অবৈধ অনুপ্ৰৱেশকাৰীক ঘূৰাই পঠিয়ালে মাৰ্কিন যুক্তৰাষ্ট্ৰই**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাস্কে বন্ধ কৰিলে ভাৰতৰ অনুদান

হৈছে অন্য এক নতুন বিতৰ্কৰ। ভাৰতত ভোটদানক উৎসাহিত কৰিবলৈ আমেৰিকাই ২ কোটি ১০ লাখ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত প্ৰায় ১৮২ কোটি টকা ব্যয় কৰাৰ তথ্য পোহৰলৈ অহাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিষয়টো পোহৰলৈ অহাৰ পিছতে বিজেপিয়ে কংগ্ৰেছক এই লৈ আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। গেৰুৱা শিবিৰ অভিযোগ কৰে যে বিদেশী শক্তিয়ে ভাৰতৰ নিৰ্বাচনত প্ৰভাৱ পেলাইছে, আৰু বিৰোধীয়ে ইয়াৰ সুযোগ লৈছে। উল্লেখ্য যে, এই তথ্য পোহৰলৈ আহিছে ড'নাল্ড ট্ৰাম্প প্ৰশাসনৰ অধীনত চৰকাৰী দক্ষতা বিভাগৰ এক প্ৰতিবেদনৰ পৰা। মাৰ্কিন ধন কুবেৰ ইলন মাস্কৰ নেতৃত্বৰ এই প্ৰতিষ্ঠানে দেওবাৰে নিজৰ এক্স হেণ্ডেলত কয় যে আমেৰিকা প্ৰশাসনে খৰচ হ্ৰাস কৰিবলৈ বিশ্বৰ কিছুমান প্ৰকল্পৰ বাবে ধন দিয়া বন্ধ কৰি দিছে। ভাৰতৰ বাবে আবণ্টিত ২ কোটি ১০ লাখ ডলাৰৰ নামো সেই তালিকাত আছে। এই তথ্য পোহৰলৈ অহাৰ লগে লগে বিজেপিয়ে কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয়। দলৰ মুখপাত্ৰ অমিত মালব্যই এক্স হেণ্ডেলত লিখিছে, "ভোটদানক উৎসাহিত কৰিবলৈ ২১ মিলিয়ন ডলাৰ! ইয়াৰ অৰ্থ স্পষ্টভাৱে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত বিদেশী হস্তক্ষেপ হৈছিল। ফলত কোনে লাভৱান হ'ল? মই শপত খাব পাৰো যে শাসকীয় দলৰ একো লাভ হোৱা নাই।" কংগ্ৰেছ আৰু গান্ধী পৰিয়ালৰ সৈতে থকা সম্পৰ্কৰ উদাহৰণ দি আমেৰিকাৰ টাইকুন জৰ্জ ছ'ৰছে ভাৰতীয় নিৰ্বাচনত হস্তক্ষেপ কৰাৰ অভিযোগ উত্থাপন কৰিছে বিজেপিয়ে। মন কৰিবলগীয়া যে ২০১২ চনত ইন্টাৰনেশ্যনেল ফাউণ্ডেশ্যন ফৰ ইলেক্টৰেল চিষ্টেমে ভাৰতৰ নিৰ্বাচন আয়োগৰ সৈতে বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছিল। এই সংস্থাটো আমেৰিকা চৰকাৰৰ ইউনাইটেড ষ্টেটছ এজেন্সী ফৰ ইন্টাৰনেশ্যনেল ডেভেলপমেন্টৰ অন্যতম পুঁজিদাতা ছ'ৰ'ছৰ অপেন ছ'চাইটি ফাউণ্ডেশ্যনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। এই তথ্যৰ উদ্ধৃতি দি বিজেপিয়ে অভিযোগ কৰে যে ইউপিএ চৰকাৰে বিদেশী শক্তিক প্ৰণালীবদ্ধভাৱে ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাক প্ৰভাৱিত কৰাত সহায় কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পত্নীক হত্যা কৰি থানাত উপস্থিত ৰুবুল

সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ অভিযোগত স্বামীয়ে পত্নীত হত্যা কৰি আৰক্ষী থানাত আত্মসমৰ্পণ কৰাৰ  ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৱাহাটী উলুবাৰীৰ ৰুবুল শৰ্মাই ২২ বছৰীয়া পত্নী তথা এটি দুই বছৰীয়া সন্তানৰ মাতৃ শ্ৰেয়া ভট্টাচাৰ্যক হত্যা কৰি পল্টন বজাৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। অনুমানিক পুৱা ৮ বজাত হত্যাকাণ্ড সংঘটিত কৰি প্ৰায় দুই ঘণ্টা পিছত পল্টন বজাৰ আৰক্ষী থানাত উপস্থিত হৈ হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰে ৰুবুল শৰ্মাই। ৰুবুল শৰ্মা আৰু শ্ৰেয়াৰ এটা দুবছৰীয়া সন্তান আছে। আৰক্ষীৰ দল ততাতৈয়াকৈ উপস্থিত হৈ শ্ৰেয়া ভট্টাচাৰ্যৰ নিথৰ দেহ উদ্ধাৰ কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে তদন্ত কৰিবলৈ আৰম্ভ কৰিছে। ৰুবুল শৰ্মাই শ্ৰেয়াক হত্যা কৰিবলৈ ব্যৱহাৰ কৰা ৰদ উদ্ধাৰ কৰিছে। এদাল ৰদেৰে হত্যা কৰাৰ সময়ত পৰিয়ালৰ সকলো সদস্য ঘৰতে আছিল যদিও হত্যাৰ লক্ষ্যৰে শ্ৰেয়াক আক্ৰমণৰ কথা পৰিয়ালৰ সদস্যসকলে জানিব পৰা নাছিল। আৰক্ষীৰ জেৰাত পোহৰলৈ আহিছে হত্যাকাণ্ডক লৈ এটাৰ পিছত আন এটা চাঞ্চল্যকৰ তথ্য। গুৱাহাটীত এখন ব্যক্তিগত স্কুলৰ বাহন চলোৱা ৰুবুলৰ ঘৰ হৈছে নলবাৰীত। আনহাতে শ্ৰেয়াৰ ঘৰ হৈছে ডাউকীত। দুয়োজনে দুবছৰীয়া প্ৰেমৰ অন্তত শ্ৰেয়াৰ প্ৰায় ১৮ বছৰ বয়সতে ৰুবুল জোৰ কৰি বিয়া কৰাইছিল। তাৰ পিছতে গুৱাহাটীত উলুবাৰী ফেমিলী ক'ৰ্ট পথৰ ১৮ নং ঘৰটোত ভাড়াতীয়া হিচাপে আছিল। ৰুবুলে বিয়াৰ কৰোৱাৰ সময়ত শ্ৰেয়াৰ বিয়াত বহাৰ উপযুক্ত সময় হোৱা নাছিল। তথাপিও পৰিয়ালৰ বিপৰীতে গৈ ৰুবুলৰ সৈতে বিয়াত বহিছিল। প্ৰেম বিবাহ হোৱাৰ পিছতো দুয়োৰে মাজত সংঘাত হৈছিল। শেহতীয়া সংঘাতৰ কাৰণ আছিল শ্ৰেয়াই অন্য পুৰুষৰ সৈতে সম্পৰ্ক কৰা বুলি সন্দেহ। নগাঁৱৰ এজন যুৱকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলা বুলি সন্দেহ কৰিছিল। ইপিনে এই অভিযোগ নস্যাৎ কৰিছে শ্ৰেয়াৰ পৰিয়ালে। শ্ৰেয়াৰ ভগ্নীয়ে কয় যে এই অভিযোগ মিছা। এতিয়া বাচিবলৈ মিছাৰ আশ্ৰয় লৈছে ৰুবুল শৰ্মাই। ৰুবুল শৰ্মা হৈছে 'চাইকো'। যি মন যায় তাকেই কৰিব বিচাৰে। বিয়াৰ বয়স নৌহওঁতেই জোৰ কৰি বিয়া কৰিছিল বুলিও কয় শ্ৰেয়াৰ ভগ্নীয়ে। এই ঘটনা পাৰিবাৰিক কন্দলৰ বাবে সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে উল্লেখ কৰা মতে, পুৱা প্ৰায় ১০ বজাত ৰুবুল শৰ্মাই পল্টন বজাৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। ৰুবুল শৰ্মাই নিজেই আহি আৰক্ষী থানাত পত্নীক হত্যা কৰি অহাৰ কথা স্বীকাৰ কৰে। পল্টন বজাৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। অপৰাধ অনুসন্ধান শাখাৰ দল লগে লগে উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে উল্লেখ কৰা মতে, এডাৰ লোৰ টুকুৰবাৰে শ্ৰেয়াৰ মূৰত মাৰিছিল ৰুবুলে। অত্যাধিক ৰক্তক্ষৰণ হোৱাৰ ফলত থিতাতে নিহত হয়। ৰুবুলে জেৰাত দিয়া স্বীকাৰোক্তি মতে পত্নীৰ অন্য পুৰুষৰ সৈতে সম্পৰ্ক আছিল। এনে সন্দেহ কৰিয়েই খণ্ডত হত্যা কাণ্ড সংঘটিত কৰিছে। তেওঁলোকৰ এটা দুবছৰীয়া সন্তান আছে। ৰুবুল আৰু শ্ৰেয়াৰ সৈতে শ্ৰেয়াৰ পিতৃ-মাতৃ আৰু কনিষ্ঠ ভগ্নী একেলগে থাকে। ৰুবুল পেচাত এজন চালক। পৰপুৰুষৰ সৈতে সম্পৰ্ক থকা বিষয়টো আৰক্ষীয়ে তদন্ত কৰি আছে যদিও সেই বিষয়ত আৰক্ষীয়ে অধিক মন্তব্য দিয়াৰ পৰা বিৰত থাকে। ৰাজ্যত প্ৰায়ে পাৰিবাৰিক কন্দলক লৈ এনে ঘটনা সংঘটিত হৈ আহিছে। সন্দেহৰ বশৱৰ্তী হৈ পত্নীক হত্যা কৰাৰ অন্তত অভিযোগ ৰাজহুৱা কৰা হয়। কিন্তু মৃত লোকজনে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগক খণ্ড কৰিবলৈ এই পৃথিৱীত মজুত নাথাকে। যদি পত্নীৰ বিৰুদ্ধে তেনে অভিযোগ থাকে তেন্তে  আদালতলৈ গৈ সমাধান কৰাৰ বিপৰীতে নিজেই আইন হাতত তুলি লৈ পত্নীক হত্যা কৰাটো উচিত নে? এই বিষয়ত চৰকাৰে বা সমাজ কল্যাণ বিভাগে সজাগতা বৃদ্ধিৰ প্ৰয়োজন আছে। আজিৰ এই ঘটনাক একাংশ লোকে সহজে ল'ব পৰা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ টাৰ্গেটিত এজন বেনামী বিষয়া

অৰ্জুন বঁটা বিজয়ী, অলিম্পিয়ান আৰ্চাৰ জয়ন্ত তালুকদাৰক অসম আৰক্ষী উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়ে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত নিযুক্তি পত্ৰ প্ৰদান কৰে হিমন্ত বিশ্ব শৰ্মাই। আজি মুখ্যমন্ত্ৰীয়ে ৫৬৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰে। সংযুক্ত পৰীক্ষাত পৰীক্ষাত উত্তীৰ্ণক নিযুক্তি পত্ৰ বিতৰণ কৰে। মুখ্যমন্ত্ৰী মহন্ত বিশ্ব শৰ্মাই ধনুৰ্বিদজনৰ উল্লেখযোগ্য সাফল্যক প্ৰশংসা কৰি স্বীকৃতি বহু দিব লাগিছিল বুলি কয়। পূৰ্বৰ চৰকাৰে সন্মান জনোৱাত পলম হোৱাত দুখ প্ৰকাশ কৰি কয় যে তেওঁৰ সফলতাৰ বছৰবোৰ ২০১৪ চনৰ আগৰ আছিল। ২০১২ চনত লণ্ডন অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰা তলুকদাৰে ২০০৪ চনত এছিয়ান গ্ৰেণ্ড প্ৰিক্সত সোণৰ পদক, ২০০৬ আৰু ২০০৯ চনত আৰ্চাৰী বিশ্বকাপত সোণৰ পদক, ২০০৫ চনত বিশ্ব চেম্পিয়নশ্বিপ (দলীয়) ৰূপৰ পদক ২০১০ চনৰ কমনৱেলথ গেমছত ব্ৰঞ্জৰ পদক বিজয়ী হৈছিল। জয়ন্ত তালুকদাৰক নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ভাষণত অসম আৰক্ষীক পৰামৰ্শ দিয়া পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰৰ উদাহৰণ দি তাত আৰক্ষীক পথত দেখা নাপায় বুলি কৈ কয় যে তাৰ আৰক্ষীয়ে বহি কেমেৰাত চাই থাকে। আমাৰ ইয়াত আৰক্ষীয়ে পথত চালকজনক মুখামুখি কৰি দুই চাৰিষাৰ কথা পাতিহে আত্মসন্তুষ্টি লাভ কৰে। আনহাতে এগৰাকী চাৰি বছৰ পূৰ্বে চাকৰি লাভ কৰা বিষয়া নজৰত থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিগত এমাহ ধৰি এগৰাকী চৰকাৰী বিষয়া আমাৰ টাৰ্গেটিত আছে। যিগৰাকী বিষয়াৰ চালক, পিএছঅ'ৰ গুগুল পে' আছে। যাৰ জৰিয়তে বিভিন্ন লেনদেন কৰি আছে। আগন্তুক ১০ দিনৰ ভিতৰত গ্ৰেপ্তাৰ কৰা হ'ব বিষাজনক। এই বিষয়া জন পুৰণি নহয়। ৪ বছৰ মানৰ পূৰ্বে চাকৰি পাইছিল। এডিআৰইৰ ফলাফল ফেব্ৰুৱাৰীৰ শেষত বা মাৰ্চত ঘোষণা কৰা হ'ব বুলি কয় মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইএছআইক ভাৰতলৈ মাতি আনিছিল

বিশ্ব শৰ্মা নেডাৰ চেয়াৰমেন হৈ মণিপুৰৰ হিংসা নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে কিয়? দেশৰ সংবিধান সুৰক্ষিত কৰিবৰ বাবে বিজেপিৰ চৰকাৰক ক্ষমতাৰ পৰা আতৰ কৰাটো এতিয়া সকলো ৰাইজৰ প্ৰধান দায়িত্ব হৈ পৰিছে। পত্নীক পাকিস্তানৰ আইএছআইৰ সৈতে সম্পৰ্ক থকা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে অভিযোগ উত্থাপন কৰি আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে আজি কংগ্ৰেছৰ এখন সভাত অংশ লৈ গৌৰৱ গগৈয়ে এই মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যালয়ৰ পৰা মাথো ১০০ মিটাৰ নিলগত দিছপুৰৰ মানবেন্দ্ৰ শৰ্মা কম্পপ্লেক্সত অনুষ্ঠিত প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সংবিধান ৰক্ষা সভাত অংশ লৈ বিজেপিয়ে তেওঁক টাৰ্গেট কৰি লোৱা বুলি অভিযোগ উত্থাপন কৰে। সভাত ভাষণ প্ৰদান কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপিৰ সম্পূৰ্ণ ইকো-চিষ্টেম মোৰ বিৰুদ্ধে লাগি গৈছে। যদি বিজেপিৰ ইকো-চিষ্টেম মোৰ বিৰুদ্ধে লাগি ভাবিছে যে মই দল-সলনি কৰিম তেন্তে সেয়া ভুল ভাবিছে। মই তৰুণ গগৈৰ পুত্ৰ হয়, মই বিজেপিলৈ ভয় নকৰো। উদাত্ত কণ্ঠে ভাষণ দি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে তেওঁলোকে যদি ভাবিছে মই পিছুৱাই যাম তেন্তে সেয়া ভুল ভাবিছো। কিয়নো মই তৰুণ গগৈৰ সন্তান। পত্নীৰ বিৰুদ্ধে অনা সকলো অভিযোগক ভিত্তিহীন বুলি কৈ মুখ্যমন্ত্ৰীৰ চকীতকৈ ৰাইজৰ আঙুলি অধিক শক্তিশালী। এজন দুৰ্বল ব্যক্তিয়েহে ভয়, ভাবুকি, অপপ্ৰচাৰৰ ওপৰত নিৰ্ভৰ কৰে বুলি আজি মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিয়ে গৌৰৱে। লগতে পত্নীৰ আইএছআইৰ সৈতে সম্পৰ্ক থকা বুলি অনা অভিযোগক লৈ আগ্ৰাসী ৰূপত গৌৰৱ গগৈয়ে উত্তৰ দি কয় যে আইএছআইক কোনে মাতি আনিছিল। ২০২৬ চনত মধ্য প্ৰদেশত আইএছআইৰ এজেন্ট ধৰা পৰিছিল। সেইজন আছিল বিজেপিৰ। বিজেপিৰ আইটি চেলত কাম কৰি আছিল। আইএছআই কংগ্ৰেছ দলত নাই বুলি দাবী কৰি সাংসদগৰাকীয়ে কয় যে আইএছআই বিজেপি দলৰ ভিতৰত সোমাই গৈছে। তাক লৈ এছআইটি নহ'ল। পঞ্জাবৰ পাঠানকোটলৈ আইএছআইক মাতি কোনে আনিছিল বুলি প্ৰশ্ন কৰি গগৈয়ে কয় যে মোৰ যে পাকিস্তানৰ সৈতে সম্পৰ্ক থকা কথাবোৰ কৈ আছে, ফটো দেখাই আছে। ২০১৬ চনত পাঠানকোটত আইএছআইক সোমাব দিছিল নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে পাকিস্তানত বিৰিয়াণী খাবলৈ কিয় গ'ল বুলিও প্ৰশ্ন কৰে গগৈয়ে। সাংসদৰ প্ৰতি থকা নিয়ম মুখ্যমন্ত্ৰীয়ে নাজানে বুলি কটুক্তি কৰি কয় যে আমি বিদেশ নীতিৰ ফৰাম কৰিছিলো। তাত বহু মানুহে আলোচনা কৰিছিল। বিজেপিৰ লগতে বহু প্ৰভাৱশালী লোকে মোৰ ফৰামত ভাগ লৈছে। ১০ বছৰ ধৰি কাৰ চৰকাৰ চলি আছিল বুলিও প্ৰশ্ন কৰে গগৈয়ে। লগতে সাংসদ গগৈয়ে অসমৰ ৰাইজে ৰাজনীতিবিদ সকলৰ পৰা বহুত আশা কৰে বুলি প্ৰশ্ন কৰি কয় যে আমি ভিত্তিহীন, লেতেৰা ৰাজনীতি কৰাতকৈ অসমৰ জনসাধৰণক নতুন অৰ্থনীতি, সমাজনীতি, শিক্ষা-স্বাস্থ্য নীতি দিব পাৰো সেয়া আমাৰ মূল উদ্দেশ্যে হ'ব লাগে। মোক ভয় কৰিব নালাগে বুলি কৈ গৌৰৱে কয়ে যে মই অবাক। বিজেপিৰ ইকো-চিষ্টেমে কাম কৰিছে। মোক ভয় কৰিব নালাগে। অসমৰ জনসাধাৰণক ভয় কৰক। অসমৰ জনসাধাৰণে আপোনালোকৰ ব্যক্তিত্ব, আচৰণ, কথা ভাল পোৱা নাই। এয়া বিজেপিৰ চৰকাৰৰ দুৰ্বলতাৰ প্ৰমাণ। অস্থিৰতা প্ৰমাণ কৰিছে। আক্ৰমণৰ কাৰণ ব্যাখ্যা কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপিৰ সাংগঠনিক সাল-সলনিৰ বাবে মুখ্যমন্ত্ৰী চিন্তিত। বিজেপিৰ আগতে যিমান দখল আছিল আজিৰ তাৰিখত সেই দখল নাই। ঝাৰখণ্ডৰ পিছত দিল্লীত মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠসকলক বেছিকৈ ব্যৱহাৰ কৰা নাছিল বুলি দাবী কৰে। ঝাৰখণ্ডত অপ্ৰাণ চেষ্টা কৰিলেও তাৰ ৰাইজে মুখ্যমন্ত্ৰীৰ অপপ্ৰচাৰ মানুহে মানি নল'লে। একেই অৱস্থা অসমত হ'ব। এই ভয়ৰ পৰা ৰক্ষা পাবলৈ মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে লাগি গৈছে বুলি কয়। আজি এইদৰে হিমন্ত বিশ্বৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি মুকলি সভাত বক্তব্য প্ৰদান কৰে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। গুৱাহাটীত সংখ্যালঘু বিভাগৰ এখন সন্মিলনত অংশ গ্ৰহণ কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপি আৰু আৰএছএছে সংবিধান ধ্বংস কৰিব বিচাৰিছে। কংগ্ৰেছৰ এতিয়া দায়িত্ব হ'ল সংবিধান সুৰক্ষিত কৰা। প্ৰসংগ কৰ্মে তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ সকলো নেতা-কৰ্মীয়ে তেওঁক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি উল্লেখ কৰে। গগৈয়ে কয় যে যিমান ভয় দেখুৱালেও তেওঁ ভয় নাখায় আৰু কংগ্ৰেছ দল ত্যাগ নকৰে। তেওঁ তৰুণ গগৈৰ সন্তান বুলি উল্লেখ কৰি কয় যে আমি দুষ্কৃতিকাৰীৰ বিৰুদ্ধে যুঁজিব জানো। ইফালে সভাত অংশগ্ৰহণ কৰি নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহানে কয় যে হিমন্ত বিশ্ব শৰ্মাৰ অতীতৰ কুকীৰ্তি গাঁৱে গাঁৱে মানুহৰ মাজত গৈ উদাঙাই দিয়া হ'ব। তেওঁ কয় মোৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিছে হিমন্ত বিশ্ব সৰ্মাই। যাৰ মানেই নাই তাৰ আকৌ মানহানি কেনেকৈ হয়। হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে থকা কেইবাটাও গোচৰৰ কথা উল্লেখ কৰি চৌহানে কয় যে আদালতত নথি-পত্ৰসহ হিমন্ত বিশ্বৰ বিৰুদ্ধে তেওঁ থিয় দিব। ইফালে ৰাষ্ট্ৰীয় সংখ্যালঘু বিভাগৰ অধ্যক্ষ তথা ৰাজ্যসভাৰ সাংসজদ ইমৰান প্ৰতাপগড়ীয়ে কয় যে দেশৰ সংবিধান বিজেপি আৰু আৰএছএছৰ দিনত সুৰক্ষিত নহয়। অসমৰ সংখ্যালঘু ৰাইজে সাংবিধানিক সুৰক্ষাৰ বাবে যুঁজিব লাগিব আৰু অসমত বিজেপিৰ বিকল্প এখন চৰকাৰ গঠন কৰিব লাগিব। সভাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই অংশগ্ৰহণ কৰি কয় যে বিজেপি চৰকাৰে ভুৱা প্ৰতিশ্ৰুতি আৰু দাবী-ধমকি দি ৰাইজৰ পৰা ভোট সংগ্ৰহ কৰি আহিছে। ভোটাৰ ৰাইজ সচেতন হ'লেই বিজেপিৰ দৰ্পচূৰ্ণ হ'ব বুলি তেওঁ উল্লেখ কৰে। সভাত কংগ্ৰেছৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, আছিফ নজৰ, শিৱামণি বৰা, আব্দুল ৰশ্বিদ মণ্ডল, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, গুৱাহাটী জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাকে ধৰি কংগ্ৰেছ নেতাসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ ৰেল ষ্টেচনত সৃষ্টি অশান্ত

হৈ থকা মহাকুম্ভ মেলাৰ বাবে দিল্লীৰ ৰেল ষ্টেচনত ভিৰৰ সৃষ্টি কৰা ভক্তৰ পদতলিত পিষ্ট হৈ মৃত্যুক সাৱটিলে কমেও ১৮ জনক। এই ঘটনাত আহত হৈছে আন বহু লোক। নিহত সকলৰ ভিতৰত আছিল তিনিটি শিশু আৰু চৈধ্যগৰাকী মহিলা। শনিবাৰে নিশা প্ৰায় ১১ বজাত ষ্টেচনৰ ১৩ আৰু ১৪ নং প্লেটফৰ্মত ভয়ংকৰ বিশৃংখলতাৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ঘটনাস্থলীত চাৰিখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হয়। প্ৰত্যক্ষদৰ্শীয়ে দাবী কৰা মতে, কুম্ভমেলাৰ বাবে ৰে'ল ষ্টেচনত ভয়াবহ ভিৰৰ সৃষ্টি হয়। ইফালে ৰে'লত আগমণত পলম হোৱা বাবে যাত্ৰীসকলৰ মাজত ক্ষোভৰ সৃষ্টি হৈছিল। একাংশ লোকে নিৰ্ধাৰিত ৰে'লখন বাতিল কৰা বুলি উৰাবাতৰি বিয়পাই দিলে। তাৰ লগে লগে বিশাল হুলস্থুল আৰম্ভ হয়। সেই বিশৃংখলতাতে মহিলা আৰু শিশুকে ধৰি ১৮ জন লোকে প্ৰাণ হেৰুৱায়। আহত সকলৰ বহুতৰে অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ইফালে এই ঘটনাৰ পিছতে ৰে'ল বিভাগে আৰ্থিক ক্ষতিপূৰণ ঘোষণা কৰে। ৰে'লৱেয়ে মৃতকৰ পৰিয়াললৈ ১০ লাখ টকা, গুৰুতৰভাৱে আহত সকললৈ আঢ়ৈ লাখ টকা আৰু সামান্য আঘাতপ্ৰাপ্তসকলক এক লাখ টকাকৈ আৰ্থিক ক্ষতিপূৰণ ঘোষণা কৰিছে। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি নেতাসকলে এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। ঘটনা সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে উত্তৰ ৰে'লৱেৰ মুখ্য জনসংযোগ বিষয়াই কয় যে নতুন দিল্লী ষ্টেচনত কোনো ধৰণৰ পদপিষ্টৰ ঘটনা সংঘটিত হোৱা নাই। তেওঁৰ দাবী, "উৰাবাতৰি বিয়পি পৰাৰ বাবেই এই বিশৃংখলতাৰ সৃষ্টি হয়।" যাত্ৰীৰ অতিৰিক্ত চাপ চম্ভালিবলৈ প্ৰয়াগৰাজলৈ দুখন বিশেষ ৰে'ল চলাই থকা বুলি ৰে'ল মন্ত্ৰালয়ে অৱগত কৰিছে। ৰে'ল আৰক্ষী আৰু দিল্লী আৰক্ষীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। অন্যহাতে এই ঘটনাৰ পিছতে ৰে'ল বিভাগৰ ব্যৰ্থতাক লৈ সৰৱ হৈ পৰিছে বিৰোধী। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে দিল্লীৰ ঘটনাত শোক প্ৰকাশ কৰি পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱা ৰে'ল বিভাগক সমালোচনা কৰে। একে সময়তে তেওঁ ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ পদত্যাগৰো দাবী জনায়। বিহাৰৰ লালুপ্ৰসাদ যাদৱে এই ঘটনাক লৈ শোক প্ৰকাশ কৰি কুম্ভমেলা অসাৰ বুলি মন্তব্য কৰে। অসমৰ মুখ্যমন্ত্ৰীয়েও দিল্লীৰ ঘটনাক লৈ এক্সযোগে শোক প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ তাকিৰৰ বিৰুদ্ধে গোচৰ

হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি উপস্থিত থাকে। অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰী কৰিবলৈ গঠিত বিপ্লব কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰিবলৈ অনুষ্ঠিত আলোচনাত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত আছিল। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত ৩৮টা বিষয় লৈ আজিৰ বৈঠকত আলোচনা কৰা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। পুনৰ ১০ মাৰ্চৰ ভিতৰত বৈঠক অনুষ্ঠিত হ'ব। অসম চুক্তিৰ ৬ নং দফা সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ বৈঠক ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰভাৱ নিৰূপণ সন্দৰ্ভত বিশেষ সিদ্ধান্ত গ্ৰহণ কৰে। এছআইটি গঠন কৰি চৰকাৰে গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ নথি-পত্ৰ পৰীক্ষা কৰাৰ কথা উল্লেখ কৰিছিল যদিও মুখ্যমন্ত্ৰীয়ে এছআইটি গঠন কৰিবলৈ সাহস নকৰিলে। মুখ্যমন্ত্ৰীয়ে আৰক্ষীৰ গোচৰ ৰুজু কৰাৰ নিৰ্দেশ দিয়াৰ অনুমতি লয়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে অসম পূৰ্বৰ পৰা আইএছআইৰ লক্ষ্য। পাকিস্তানী কূটনৈতিক তাকিৰ শ্বেখৰ সহায়ক আছিল এলিজাবেথ। শ্বেখৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ কেবিনেটে অনুমোদন জনাইছে। অসম আৰু ভাৰতৰ তদন্তকাৰী সংস্থাক দিয়া হ'ব আৰু ভিছা, পাচপ'ৰ্টৰ পৰীক্ষাত গৌৰৱ গগৈক সহযোগ কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে পাকিস্তান চৰকাৰৰ পৰামৰ্শদাতাৰ পদৰ লগতে এনজিঅ' লীড পাকিস্তানৰ প্ৰতিষ্ঠাতা আলী শ্বেখৰ অধীনত কাম কৰিছিল ব্ৰিটিছ নাগৰিক এলিজাবেথ গগৈয়ে। আলী শ্বেখ ভাৰত বিৰোধী কাম-কাজত লিপ্ত। ভাৰত বিৰোধী শ্বেখৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ কেবিনেটে আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে। গোচৰ ৰুজুৰ পিছতে তদন্তকাৰী আৰক্ষীয়ে এছআইটি গঠন কৰিব পাৰে। এনআইএক অথবা চিবিআইক হস্তান্তৰ কৰিব পাৰিব। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত এতিয়াৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লয়। অসম চৰকাৰৰ সকলো নথি-নিৰ্দেশনাৱলী আন আন ভাষাৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰাটো জৰুৰী কৰা হ'ব। সদৌ অসম ছাত্ৰ সন্থাৰে বৈঠক আৰু কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে খিলঞ্জীয়া নাগৰিকৰ ভূমিৰ অধিকাৰ সুৰক্ষা কৰিবলৈ বিশেষ সিদ্ধান্ত লোৱাৰ কথা প্ৰকাশ কৰিছে। আছুৰ সহমতত জনজাতীয় বেল্ট-ব্লকৰ দৰে ৰাজহ চক্ৰ গঠন কৰি সেই ৰাজহ চক্ৰত মাটি-বাৰীৰ অধিকাৰ কেৱল খিলঞ্জীয়াৰ হাতত থাকিব বুলি সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বে মুখ্য চহৰত খিলঞ্জীয়াৰ মাটি বেচা-কিনাৰ ক্ষেত্ৰত তিনিটা প্ৰজন্মৰ বিশেষ ব্যৱস্থা লোৱা হৈছিল। মুখ্য নগৰসমূহত এই নীতি প্ৰযোজ্য নহয়। আজি আলোচনাত আছুৰে পৌৰ নিগম এলেকাৰ বাহিৰত গ্ৰাম্য এলেকাত এই ব্যৱস্থা কৰিবলৈ কোৱাত গাঁও এলেকাত খিলঞ্জীয়াৰ মাটি কিনা-বেচাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে আছুৰ আহ্বান মৰ্মে ব্লকসমূহ চিনাক্ত কৰিম। যিসমূহ ব্লকত অকল তিনিটা প্ৰজন্ম বা ১৯৫১ চনৰ পূৰ্বে অসমলৈ অহা ব্যক্তিয়ে মাটি কিনা-বেচা কৰিব পাৰিব। অনুসূচীত জাতি-জনজাতি আৰু ৬ জনগোষ্ঠীয়ে তেনে প্ৰমাণপত্ৰ দিব নালাগে। আনহাতে, ৰাজ্য ভাষা সঞ্চালকালয়ক এটা স্বতন্ত্ৰ সঞ্চালকালয় হিচাপে গঢ়ি তোলা, ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়তে অসমীয়া বিষয় বাধ্যতামূলক কৰা, বিটিআৰত ইংৰাজী, বড়োৰ লগতে অসমীয়া বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লয়। ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা অষ্টম শ্ৰেণীলৈ অসম বুৰঞ্জী বাধ্যতামূলক কৰা হ'ব। ব'হাগৰ পৰা চৰকাৰৰ সকলো প্ৰকাৰৰ নিৰ্দেশনা আন ভাষাৰ লগতে অসমীয়াতো প্ৰকাশ পাব। তেজপুৰ বিশ্ববিদ্যালয়ত পদ্মনাথ গোহাঞিবৰুৱাৰ আসন প্ৰতিষ্ঠাৰে অসমীয়া বিভাগ আৰু শিলচৰ অসম বিশ্ববিদ্যালয়ত লক্ষ্মীনাথ বেজবৰুৱাৰ আসন প্ৰতিষ্ঠাৰে অসমীয়া বিভাগ খোলাৰ ব্যৱস্থা কৰিব। সত্ৰসমূহৰ হকে ৫জনীয়া ৰাজ্যিক বৰ্ড গঠন কৰি সুৰক্ষা দিয়াৰ সিদ্ধান্ত লয়। শংকৰদেৱ কলাক্ষেত্ৰৰ বাবে ১০০ কোটি টকাৰ পুঁজি আবণ্টন, জ্যোতি চিত্ৰবনৰ কৰ্মচাৰীক চৰকাৰৰ অধীনলৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অষ্টম শ্ৰেণীলৈ অসম বুৰঞ্জী বাধ্যতামূলকভাৱে পঢ়িব লাগিব আৰু অসমীয়া ইতিহাস প্ৰণয়নৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাত-ভৰি বান্ধি ট্ৰাম্পে পঠিয়ালে

ভাৰতীয়ক। আমেৰিকা ভ্ৰমণ সামৰি ভাৰতৰ প্ৰধানমন্ত্ৰী উভতি অহাৰ পিছতে পুনৰ হাতে-ভৰি শিকলিৰে বান্ধি অনুপ্ৰৱেশকাৰী ভাৰতীয়ক বিমানত উঠাই বিতাড়িত কৰিলে ট্ৰাম্প প্ৰশাসনে। দ্বিতীয় পৰ্যায়ত শনিবাৰে নিশা পঞ্জাৱৰ অমৃতসৰ বিমানবন্দৰত অৱতৰণ কৰে এখন বিশেষ আমেৰিকান সামৰিক বিমান। এই বিমানতে ১১৬ জন ভাৰতীয়ক ঘূৰাই পঠোৱা হয়। কিন্তু তেওঁলোকৰ হাতে-ভৰি বান্ধি ঘূৰাই পঠিওৱাৰ অভিযোগক লৈ পুনৰ এবাৰ বিতৰ্ক তীব্ৰতৰ হৈ পৰিছে। আমেৰিকাৰ পৰা উভতি অহা এজন প্ৰব্ৰজনকাৰীয়ে কয় যে তেওঁলোকৰ হাতৰ লগতে ভৰিতো শিকলিৰে বান্ধি বিমান উঠোৱা হৈছিল। ইফালে এই ঘটনাই পুনৰবাৰ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিলে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ৫ ফেব্ৰুৱাৰীত আমেৰিকাই প্ৰথম পৰ্যায়ত একেদৰেই ভাৰতীয়ক বিতাড়ন কৰিছিল। তেতিয়াও অনুপ্ৰৱেশকাৰীক হেণ্ডকাফ আৰু শিকলিৰে বান্ধি বিতাড়ন কৰা হয়। এই সন্দৰ্ভত সংসদতো প্ৰশ্ন উত্থাপন হয়। সেই বিতৰ্কৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা ভ্ৰমণ কৰে। হোৱাইট হাউছত তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে সাক্ষাৎ কৰে। ইয়াৰ পিছত দ্বিতীয় পৰ্যায়ত বিতাড়নৰ বিষয়ে নতুন জল্পনা-কল্পনা আৰম্ভ হয়। শনিবাৰে নিশা প্ৰায় ১১:৩০ বজাত অমৃতসৰ বিমানবন্দৰত অৱতৰণ কৰে আমেৰিকান সেনাৰ চি-১৭ গ্ল'বমাষ্টাৰ বিমান। প্ৰত্যাৱৰ্তন কৰাসকলৰ বেকগ্ৰাউণ্ড পৰীক্ষা কৰা হয়। ইয়াৰে অধিকাংশই আছিল পঞ্জাৱৰ বাসিন্দা। দেওবাৰে পুৱা নিজ নিজ ৰাজ্যলৈ প্ৰেৰণ কৰা হয় তেওঁলোকক। হাৰিয়ানা চৰকাৰেও তেওঁলোকৰ ৰাজ্যৰ বাসিন্দাসকলক ঘূৰাই লোৱাৰ ব্যৱস্থা কৰে। অৱশ্যে পুনৰ উত্থাপিত হৈছে হেণ্ডকাফ-শিকলি বিতৰ্ক। সংবাদ সংস্থা পিটিআইৰ সৈতে হোৱা এক সাক্ষাৎকাৰত এজন প্ৰব্ৰজনকাৰীয়ে কয় যে তেওঁলোকক বিমানত উঠোৱাৰ আগতে হাত-ভৰিত শিকলিৰে বন্ধা হৈছিল। আনকি তেওঁলোকৰ মোবাইল ফোনো জব্দ কৰা হয়। যদিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে প্ৰথম পৰ্যায়ৰ বিতৰ্কৰ সময়ত সংসদত বুজাই দিছিল যে অবৈধ অনুপ্ৰৱেশকাৰীক আমেৰিকাৰ নিজৰ আইন অনুসৰি হেণ্ডকাফ লগোৱা হয়, তথাপিও মহিলাৰ ক্ষেত্ৰত এই নিয়ম শিথিল কৰা হৈছিল। ইফালে এই বিতাড়নক লৈ আৰু অধিক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। পিটিআইৰ বাতৰি অনুসৰি বিতাড়িত যুৱক দুজন হত্যাৰ গোচৰত অভিযুক্ত। পঞ্জাৱৰ পাটিয়ালা জিলাৰ বাসিন্দা সন্দীপ সিং ওৰফে ছানী আৰু প্ৰদীপ সিঙৰ বিৰুদ্ধে ২০২৩ চনৰ হত্যাকাণ্ডৰ গোচৰ ৰুজু কৰা হৈছিল। বিমানবন্দৰত অৱতৰণ কৰাৰ লগে লগে পঞ্জাৱ আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰে। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ পিছত দেওবাৰে তৃতীয় পৰ্যায়ত আন কেইবাজনো অনুপ্ৰৱেশকাৰীক ভাৰতলৈ ঘূৰাই পঠিওৱা হ'ব বুলি জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, দেওবাৰেও নিশা শতাধিক অনুপ্ৰৱেশকাৰীৰ সৈতে এখন আমেৰিকান সামৰিক বিমান অমৃতসৰত উপস্থিত হ'ব। এনে পৰিস্থিতিত মোদী চৰকাৰৰ কূটনৈতিক স্থিতি আৰু আমেৰিকাৰ প্ৰব্ৰজন নীতিৰ ভৱিষ্যতক লৈও জল্পনা-কল্পনা আৰম্ভ হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# কোকৰাঝাৰত আজি অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আৰম্ভণি

## উপস্থিত ৰাজ্যপাল, অধ্যক্ষ, মাজনিশা আহিল মুখ্যমন্ত্ৰী

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ ফেব্ৰুৱাৰীঃ** ইতিহাস সৃষ্টি কৰি অসম বিধান সভাৰ বাজেট অধিৱেশন কাইলৈ অৰ্থাৎ ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত অনুষ্ঠিত হ'ব। ইতিমধ্যে অধিবেশনক লৈ প্ৰস্তুতি সম্পূৰ্ণ হৈছে আৰু কোকৰাঝাৰত ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্য আৰু অধ্যক্ষ বিশ্বজিৎ দৈমাৰী উপস্থিত হৈছে। তদুপৰি আজি নিশা ১২:৩০ মান বজাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কোকৰাঝাৰত উপস্থিত হ'ব। পোন প্ৰথমবাৰৰ বাবে ৰাজধানীৰ পৰিৱৰ্তে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত অনুষ্ঠিত হোৱাত কোকৰাঝাৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কাইলৈৰ কাৰ্যসূচী অনুসৰি বাজেট অধিবেশন আৰম্ভ হ'ব ৰাজ্যপাল লক্ষ্মণ আচাৰ্য্যৰ অভিভাষণেৰে। ৰাজ্যপালৰ ভাষণৰ এঘণ্টা ত্ৰিছ মিনিট পিছত পুনৰ সদনৰ বৈঠক আৰম্ভ হ'ব। পুনৰ সদন আৰম্ভ হোৱাত বিধানসভাৰ সকলো সদস্যৰ হাতত তুলি দিয়া হ'ব ৰাজ্যপালৰ ভাষণৰ ছপা কপি। তাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ দুখন প্ৰতিবেদন সদনত দাখিল কৰিব। বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতিয়ে প্ৰতিবেদন ঘোষণা কৰিব। বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৪-২৫ বৰ্ষৰ মঞ্জুৰীৰ পৰিপূৰক দাবী তথা বিনিয়োজন উপস্থাপন কৰিব। তাৰ পিছতে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ উদ্যোগ শিতানত সদনত এক বিশেষ আলোচনা আৰম্ভ হ'ব। 'অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ন' শীৰ্ষক বিষয়ক লৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা আৰম্ভ কৰিব বিধয়াক লৰেন্স ইছলাৰীয়ে। ৰাজ্যপালৰ ভাষণক লৈ ধন্যবাদ প্ৰস্তাৱ উত্থাপন কৰিব বিধায়ক ৰূপক শৰ্মাই আৰু সমৰ্থন কৰিব বিধায়ক তেৰছ গোৱালাই।

# আছু-মুখ্যমন্ত্ৰীৰ বৈঠকত ২০টা সিদ্ধান্ত চূড়ান্ত

**ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ** অসম চুক্তিৰ ছয় নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শ সন্দৰ্ভত আজি সদৌ অসম ছাত্ৰ সন্থা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত দ্বিতীয়লানি আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যালয়ে আছুক আলোচনা কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ পিছতে আজি অসম চুক্তিৰ ছয় নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণৰ বিষয়ে চৰকাৰ আৰু আছুৰ বৈঠক অনুষ্ঠিত হয়। দিছপুৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত আছুৰ সভাপতি উৎপল শৰ্মা, মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত থাকে। আলোচনাত বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনত ৰাজ্য চৰকাৰৰ আওতাৰ ৪০টা বিষয় অসম চৰকাৰে ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্যকৰী কৰিব বুলি কোৱা কথাটো স্থান লাভ কৰে। ১০ মাৰ্চৰ ভিতৰত আৰু এপ্ৰিলত দুয়োপক্ষৰ পুনৰ বৈঠক অনুষ্ঠিত হ'ব। আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্বল কুমাৰ ভট্টাচাৰ্যই বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত অসম চুক্তিৰ ৬নং দফা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰাৰ চাৰি বছৰ হ'ল বুলি কৈ কয় যে চৰকাৰে আলোচনাৰ দুৱাৰ খুলিছে। বিগত বৰ্ষৰ ছেপ্টেম্বৰত প্ৰথমখন আলোচনা হৈছিল। যোৱা আলোচনাত ৰাজ্য চৰকাৰে কৈছিল অসম চৰকাৰৰ অধীনত ৪০টা বিষয় আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়াভাৱে ১২ টা বিষয় আছে। পোনপটীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ আওতাত ১৫টা বিষয় আছে। ৰাজ্য চৰকাৰৰ ৫২ টা বিষয়ত কৰণীয় আছে। ইপিনে আছুৰ সাধাৰণ সম্পাক সমীৰণ ফুকনে কয় যে অসম চুক্তিৰ ৬ নং দফাৰ অনুসৰি খিলঞ্জীয়া মানুহক সাংবিধানিক ৰক্ষা কৱচ প্ৰদান কৰাৰ ক্ষেত্ৰত বিপ্লৱ কুমাৰ শৰ্মা আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰা সন্দৰ্ভত আলোচনাত মিলিত হওঁ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰৰ আওতাত পৰা ৩৮ টা পৰামৰ্শ শীঘ্ৰেই কাৰ্যকৰীকৰণৰ সন্দৰ্ভত কৰ্মপন্থা নিৰূপণ কৰা হয়। সন্থাৰ তৰফৰ পৰা এই প্ৰক্ৰিয়াক ত্বৰান্বিত ৰূপত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৰণীয়খিনি উনুকিয়াই দিয়া হয়। শীঘ্ৰেই এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ স'তে এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে উদ্যোগ গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। সমীৰণ ফুকনৰ মতে, আজিৰ আলোচনাৰ কেইটামান মূল সিদ্ধান্ত এনেধৰণৰ। (১) জনজাতীয় বেল্ট-ব্লকসমূহ ইতিমধ্যে সুৰক্ষিত। ইয়াৰ উপৰিও আন অঞ্চলসমূহৰ ৰাজহ চক্ৰত মাটিৰ অধিকাৰ আৰু ক্ৰয়-বিক্ৰয় কেৱল অসমীয়া মানুহৰ মাজত সীমাবদ্ধ থাকিব। এই সন্দৰ্ভত যাৱতীয় আইনৰ খচৰা প্ৰস্তুত কৰি থকা হৈছে। (২) ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া বিষয়টো বাধ্যতামূলক হ'ব। বিটিআৰ অঞ্চলত বড়ো/অসমীয়া বিষয় বাধ্যতামূলক হ'ব। বৰাক উপত্যকা আৰু পাৰ্বত্য জিলা সম্পৰ্কত পৰৱৰ্তী পৰ্যায়ত আলোচনা কৰা হ'ব। (৩) ২০২৬ শিক্ষা বৰ্ষৰ পৰা অষ্টম শ্ৰেণীলৈকে 'অসম বুৰঞ্জী' বাধ্যতামূলক হ'ব। অসম চৰকাৰৰ উদ্যোগত এখনি 'অসমীয়া মানুহৰ ইতিহাস' প্ৰস্তুত কৰি উলিওৱা হ'ব। (৪) অসমৰ সত্ৰ সমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে আৰু সত্ৰ সম্পৰ্কীয় যিকোনো বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ এখন শক্তিশালী বোৰ্ড গঠন কৰা হ'ব। এই বোৰ্ড স্বায়ত্বশাসিত হ'ব। তিনি মাহৰ ভিতৰত এই সম্পৰ্কীয় বিধেয়ক প্ৰস্তুত কৰা হ'ব। সত্ৰ, নামঘৰকে ধৰি অন্যান্য খিলঞ্জীয়া ধৰ্মীয় অনুষ্ঠানসমূহক বিধিগত সুৰক্ষা প্ৰদান কৰা হ'ব। (৫) ৰাজ্যভাষা আইন নিখুঁতভাৱে কাৰ্যকৰী কৰা হ'ব। অসম চৰকাৰৰ সকলো নিৰ্দেশনা অহা ১৪ এপ্ৰিলৰ পৰা অসমীয়াত প্ৰকাশ পাব। ইংৰাজীতো থাকিব। অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সকলো আইন, অধিসূচনা, নিয়মাৱলী, নিৰ্দেশাৱলী অসমীয়া ভাষাতো প্ৰকাশৰ ব্যৱস্থা কৰিব। এই সন্দৰ্ভত গুৱাহাটী বিশ্ববিদ্যালয় বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ক অনুবাদৰ বিশেষ প্ৰকল্পৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হ'ব। অসম চৰকাৰেও অনুবাদৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। (৬) ৰাজ্যভাষা প্ৰয়োগ সঞ্চালকালয়টো পূৰ্ণ পৰ্যায়ৰ স্বতন্ত্ৰ সঞ্চালকালয় হিচাপে গঢ়ি তোলা হ'ব। প্ৰয়োজনীয় আন্তঃগাঁথনি, নিয়োগৰ ব্যৱস্থা কৰা হ'ব। (৭) ভূমি সংক্ৰান্তীয় সকলো পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ Land Administration ৰ ২০০০ অতিৰিক্ত পদ সৃষ্টি কৰা হ'ব। তিনি বছৰৰ ভিতৰত নিয়োগ সম্পূৰ্ণ কৰা হ'ব। (৮) অসম বিশ্ববিদ্যালয়ৰ শিলচৰ চৌহদত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰে সৈতে আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ তেজপুৰ চৌহদত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা আসনৰে সৈতে অসমীয়া ভাষা বিভাগ খোলা হ'ব। অসম চৰকাৰে উদ্যোগ লৈ এবছৰৰ ভিতৰত এই সিদ্ধান্ত কাৰ্যকৰী কৰিব। এই সমূহ চৰকাৰে অন্যান্য জনজাতীয়-জনগোষ্ঠীয় ভাষালৈ ছমাহৰ ভিতৰত অনুবাদ কৰাৰ ব্যৱস্থা কৰিব। ৫২টা পৰামৰ্শৰ বাকীকেইটা পৰামৰ্শ সন্দৰ্ভত কৰ্মপন্থা নিৰূপন কৰিবলৈ অহা মাৰ্চ মাহত পুনৰ আছু আৰু অসম চৰকাৰৰ আলোচনা অনুষ্ঠিত হ'ব। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা বিষয়সমূহ কাৰ্যকৰী কৰিবলৈ আৰু কেন্দ্ৰ, অসম চৰকাৰ আৰু আছুৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অনুৰোধ জনাইছে।

## তামুলপুৰ মহাবিদ্যালয়ত পুথিভঁৰাল সম্পৰ্কীয় কৰ্মশালা

**ই-সংবাদ, তামুলপুৰ, ১৬ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান তামুলপুৰ মহাবিদ্যালয় (বৰনগৰ)ত আজি দিনজোৰা কাৰ্যসূচীৰে পুথিভঁৰাল সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ কৰ্মশালা অনুষ্ঠিত হয়। বি এছ এম ইন্টাৰনেশ্যনেল প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত তথা বি টি চি চৰকাৰৰ প্ৰকল্প অনুসৰি সমগ্ৰ বিটিচিৰ নতুনকৈ প্ৰাদেশিকীকৰণ হোৱা দহখন মহাবিদ্যালয়ৰ সমূহ পুথিভঁৰাল কৰ্তৃপক্ষৰ মাজত অনুষ্ঠিত আজিৰ এই কৰ্মশালাত তেজপুৰ বিশ্ববিদ্যালয়ৰ ডেপুটি লাইব্ৰেৰীয়ান ড° গৌতম কুমাৰ শৰ্মা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ তথ্য বিজ্ঞানী অঞ্জু কুমাৰ সিং সমল ব্যক্তি হিচাপে উপস্থিত থাকে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত উক্ত কৰ্মশালাত তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যোগেন বড়োৰে বিটিচিৰ নতুনকৈ প্ৰাদেশিকীকৰণ হোৱা দহখন মহাবিদ্যালয়ৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে মহাবিদ্যালয়সমূহৰ পুথিভঁৰালসমূহ ডিজিটেলাইজ কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰি কোহা আৰু ডিস্পেচৰ দ্বাৰা সুবিধা প্ৰদান কৰি অসমৰ আগশাৰীৰ প্ৰতিষ্ঠিত প্ৰতিষ্ঠান বি এছ এম ইন্টাৰনেশ্যনেলক দায়িত্ব প্ৰদান কৰাৰ লগতে নতুনকৈ প্ৰাদেশিকীকৰণ হোৱা দহখন মহাবিদ্যালয়ৰ লাইব্ৰেৰীয়ান আৰু তেওঁলোকৰ ষ্টাফৰ সৈতে তামুলপুৰ মহাবিদ্যালয়ত আজি অনুষ্ঠিত কৰ্মশালাৰ জড়িয়তে সেই ছফ্টৱেৰবিলাক কেনেদৰে ইউটিলাইজ কৰে, ইয়াৰ সুবিধা সমূহ কি কি, এই ছফ্টৱেৰৰ দ্বাৰা ডিজিটেলাইজ লাইব্ৰেৰী ব্যৱহাৰ কৰাত ভৱিষ্যতে কেনেদৰে সহায় কৰিব ইয়াৰ সম্পূৰ্ণ জ্ঞান দিয়াৰ ক্ষেত্ৰত আজি যি কৰ্মশালা অনুষ্ঠিত হৈছে এইক্ষেত্ৰত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জ্ঞাপন কৰে। এইক্ষেত্ৰত বি এছ এম ইন্টাৰনেশ্যনেল প্ৰতিষ্ঠানৰ মুৰব্বী দিলীপ পৌড়েলে বি টি চি চৰকাৰৰ প্ৰকল্প অনুসৰি অনুষ্ঠিত কৰ্মশালাখনি তামুলপুৰ মহাবিদ্যালয়ত সুকলমে পৰিচালনা কৰিবলৈ সুবিধা প্ৰদান কৰা বাবে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° যোগেন বড়োক ধন্যবাদ জ্ঞাপন কৰে আৰু আজিৰ এই কৰ্মশালাৰ জড়িয়তে লাইব্ৰেৰীয়ান সকলৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ সক্ষম হোৱা বুলি আশা প্ৰকাশ কৰে।




## টুৱেন্টি নাইন, তিনিপাট্টিয়ে বিনষ্ট কৰিছে মাজুলীৰ পৰিৱেশ

# মাজুলীৰ একাংশ সম্ভ্ৰান্ত অঞ্চলত জুৱাৰ আড্ডা অব্যাহত থকাৰ অভিযোগ

**ই-সংবাদ, মাজুলী, ১৬ ফেব্ৰুৱাৰীঃ** ৰাজ্যখনত নিষিদ্ধ ড্ৰাগছকে ধৰি নিচাজাতীয় সামগ্ৰী আৰু জুৱাখেলৰ বিৰুদ্ধে অসম আৰক্ষী পূৰ্বতকৈ অধিক কঠোৰ হৈছে যদিও এতিয়াও ৰাজ্যৰ ঠায়ে ঠায়ে জুৱা খেলৰ বাতৰি প্ৰায়ে দেখিবলৈ পোৱা যায়। মাজুলীৰো বিভিন্ন স্থানত নিষিদ্ধ জুৱাৰ আড্ডা অব্যাহত থকাৰ অভিযোগ উঠিছে। মাজুলীৰ বহুকেইটা সম্ভ্ৰান্ত অঞ্চলৰ আশে-পাশে নিষিদ্ধ জুৱাখেল অব্যাহত থকা বুলি এক সূত্ৰই জানিবলৈ দিছে। এই জুৱাখেলসমূহত শিক্ষা বৃত্তিত জড়িত বহু লোকৰ লগতে একাংশ ঠিকাৰ লগত জড়িত ব্যক্তি আৰু সমাজত প্ৰভাৱ খটোৱাব পৰা বৃত্তিত জড়িত ব্যক্তিয়েও অংশগ্ৰহণ কৰা বুলি সূত্ৰটোৱে লগতে জানিবলৈ দিয়ে। সূত্ৰটোৰে জনোৱা মতে, কমলাবাৰী অঞ্চল, উজনি মাজুলীৰ ফুলনি, জেংৰাইমুখ, নয়াবজাৰ আদি অঞ্চলসমূহৰ নিৰ্দিষ্ট নিৰ্দিষ্ট কিছু স্থানত টুৱেন্টি নাইন, তিনিপাট্টি আদি জুৱাখেল অব্যাহত থকাৰ লগতে উক্ত জুৱাখেল নৱপ্ৰজন্মৰ লগতে বহুতো লোকৰ বাবে মাৰাত্মক ব্যাধিত পৰিণত হৈছে বুলি অভিযোগ উত্থাপন হৈছে। জুৱাৰ আড্ডা অব্যাহত থকাৰ ফলত উক্ত সম্ভ্ৰান্ত অঞ্চলসমূহৰ সন্মানো একপ্ৰকাৰে লাঘৱ হোৱাৰ লগতে অঞ্চলৰ সচেতন ৰাইজে এই বিষয়ত সংশ্লিষ্ট আৰক্ষী থানা, আৰক্ষী চকীসমূহে সঁচা অৰ্থত চকু দিয়াৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰে। মাজুলীত সুৰাৰো বিক্ৰী নিষিদ্ধ যদিও মাজুলীতেই একাংশই অবৈধভাৱে সুৰাৰ বেহা চলাই লাখ লাখ টকা উপাৰ্জন কৰি একো একোটা পৰিয়ালক ধ্বংসৰ মুখলৈ ঠেলি দিয়া অভিযোগো বহু পুৰণি। পবিত্ৰ স্থান হিচাপে পৰিচিত মাজুলীত যদি উত্থাপিত অভিযোগৰ দৰে জুৱাৰ আড্ডাও বহিবলৈ আৰম্ভ কৰে তেনে প্ৰেক্ষাপটত মাজুলীৰ গৰিমাতো আঁচোৰ পৰিব বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে।

# শুভাৰম্ভ হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ৫১সংখ্যক কাৰ্বি যুৱ মহোৎসৱ

**ই-সংবাদ, ডিফু, ১৬ ফেব্ৰুৱাৰীঃ** উত্তৰ-পূৰ্বাঞ্চলৰ অতিকৈ পুৰণি সৰ্ববৃহৎ কাৰ্বি যুৱ মহোৎসৱৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ অন্তিম ক্ষণত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰেপৰা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ। ৰংমিলিৰ হাঁহিৰ দেশত উৰিল কাৰ্বি লোককৃষ্টি-সংস্কৃতিৰ বিজয়ধ্বজা। সৰু-বৰ পাহাৰৰ মনোৰম প্ৰাকৃতিক আৰু নৈসৰ্গিক পৰিৱেশৰ মাজতে মনপৰশা জনজাতীয় নৃত্য-গীতেৰে উদ্ভাসিত হ'ল তাৰলাংচ' বাকৰি। কাৰ্বি পৰম্পৰাগত লোককৃষ্টি-সংস্কৃতিৰ অমিয়া সুবাসেৰে আমোলমোলাইছে কাৰ্বি সাংস্কৃতিক প্ৰকল্প। জিলাখনত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰ পৰাম্পৰাগত কৃষ্টি-সংস্কৃতিক অগ্ৰাধিকাৰ দি উদ্যোক্তাসকলে তাৰালাংচ'ত সংস্কৃতিৰ পৃথিৱীখনত এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে । ৮২৭ বিঘাজোৰা মাটিকালিৰ তাৰালাংচ' বাকৰিত শিল্পীগ্ৰাম, বিভাগীয় প্ৰদৰ্শনীস্থলী, বজাৰ গৃহ, ক্ৰীড়াংগন, জনগোষ্ঠীয় আৱাস গৃহ, জনগোষ্ঠীয় নৃত্য আৰু কলা প্ৰদৰ্শনীৰ বাবে ( আচেথাই) মঞ্চসমূহ বিভিন্ন আলোকসজ্জাৰে ন-কইনাৰ দৰে সজাই-পৰাই তোলা হৈছে । ১৯৭৪ চনৰপৰা ধাৰাবাহিকভাৱে অনুষ্ঠিত হৈ অহা যুৱ মহোৎসৱটিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম শ্ৰেষ্ঠ আৰু পুৰণি যুৱ মহোৎসৱ হিচাপে পৰিগণিত হৈ আহিছে। সোণালী জয়ন্তী বৰ্ষ গৰকা কাৰ্বি যুৱ মহোৎসৱটি এইবাৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব প্ৰায় ৭০ ফুট উচ্চতাৰ কাৰ্বি নথেংপি (প্ৰাসাদ)। বিভিন্ন প্ৰান্তৰ মুঠ ৩৫ টা মাণ্ডলিক কমিটিৰ ৫ সহস্ৰাধিক শিল্পীয়ে হাতে হাতে চেংপি, চেংচ', চেংবৰুক, চং আদিৰে শোভাবৰ্দ্ধিত হোৱাৰ লগতে মূৰত পহ' ৰজাৰু, আংনি, পুৰুষৰ গাত চইক' চয়াং, তিৰুতাৰ গাত পিনি, পেকক, কঁকালত ৰামকক, দুই হাতত চংনক আদিৰে কাৰ্বি ৰিচ' নিমচ'সকলে বৰ্ণিল শোভাযাত্ৰা উলিয়াই তাৰালাংচ'ৰ হেমফু মুক্ৰাওৰপৰা পতাকা উত্তোলনথলীত উপস্থিত হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰে কে চি এছৰ সভাপতি চন্দ্ৰছিং ক্ৰ'ই। ইয়াৰ পূৰ্বে কাৰ্বি সাংস্কৃতিক গুৰু ৰাংছিনা ছাৰপ'ৰ প্ৰতিকৃতিত পুষ্পাঞ্জলী আৰু মাল্যাৰ্পণ কৰে কে চি এছৰ সভাপতি-সম্পাদক ক্ৰমে চন্দ্ৰছিং ক্ৰ' আৰু বিদ্যাছিং ৰংপিয়ে। কে চি এছৰ সভাপতি চন্দ্ৰছিং ক্ৰ'ই ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ পতাকা উত্তোলন কৰাৰ পিছত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাঙে ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰোপৰি কাৰ্বি ৰজা লংচিং ৰংহাং, লিনডকপ' চিঠং ৰংবং, লিনডকপ' আমৰি ৰংবং, ডুমৰা ৰজা হলিচিং ৰংহাং, সাংসদ হৰেণছিং বে', বিধায়কদ্বয় বিদ্যাছিং ইংলেং, দৰচিং ৰংহাং, পদ্মশ্ৰী ধনেশ্বৰ ইংতি, কাৰবি লোককৃষ্টি-সংস্কৃতিৰ গৱেষক লুণছে তিমুং, কে চি এছৰ প্ৰতিষ্ঠাপক সম্পাদক ৰয় ইংহি, কাৰ্বি লাম্মেট আমেইৰ সভাপতি কামচিং হাঞ্চে, কে চি এছৰ প্ৰাক্তন সভাপতি লৰেন্স টেৰণকে প্ৰমুখ্য কৰি বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দলৰ সভাপতি-সম্পাদক আৰু নেতা-কৰ্মী উপস্থিত থাকে। আনহাতে, টয়টা পেভিলিয়নৰ উদ্বোধন কৰে চি ই এম তুলিৰাম ৰংহাঙে। ইয়াৰ পিছত ক্ৰমান্বয়ে চেংপি প্ৰতিযোগিতা, কাৰ্বি পৰম্পৰাগত বজাৰ, বোৱা-কটা প্ৰদৰ্শনী আৰু বিক্ৰী কেন্দ্ৰ, বিভাগীয় প্ৰদৰ্শনী, জনগোষ্ঠীয় গাওঁ, বজাৰ, মঞ্চসমূহৰ উদ্বোধন কৰা হয়।

# গুৱাহাটীত 'শান্তি আৰু অংশীদাৰীত্বৰ আন্তৰ্জাতিক চুক্তি'ৰ আন্তঃৰাষ্ট্ৰীয় অধিৱেশন

**ই-সংবাদ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰীঃ** আজি বিশ্ব পৰিৱৰ্তন মিচনৰ উদ্যোগত উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটীত 'শান্তি আৰু অংশীদাৰীত্বৰ আন্তৰ্জাতিক চুক্তি' (GAPP)ৰ দ্বাৰা আয়োজিত এখনি আন্তঃৰাষ্ট্ৰীয় অধিৱেশন সম্পন্ন হৈ যায়। ৰুক্মণীনগৰ প্ৰেক্ষাগৃহত "আন্তঃৰাষ্ট্ৰীয় যুদ্ধ প্ৰতিৰোধ আৰু নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য' শীৰ্ষক আলোচনাত মুখ্য অতিথি হিচাপে বক্তব্য ৰাখি নেপাল চৰকাৰৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি পৰমানন্দ ঝাই নিজৰ ভাষণ প্ৰসংগত কয় যে আমি দক্ষিণ এছিয়ান দেশসমূহৰ এটা সংঘ গঠন কৰিবলৈ দেৰি কৰা উচিত নহয়। ভাৰত আৰু নেপালে চাৰ্কক সম্প্ৰসাৰণ কৰি এই দিশত অবিলম্বে পদক্ষেপ গ্ৰহণ কৰা উচিত। নেপালৰ জ্যেষ্ঠ নেতা ঝাই কয় যে ইউৰোপীয় সংঘৰ মঞ্চত একত্ৰিত হৈ ইউৰোপৰ সকলো দেশে এক শক্তিশালী ৰূপ লাভ কৰিছে। যুদ্ধত বাধাৰ সৃষ্টি কৰা, বিশ্বশান্তি নিশ্চিত কৰা আৰু জনসাধাৰণক আন্তঃৰাষ্ট্ৰীয় অধিকাৰ প্ৰদান কৰাটো আজি সমগ্ৰ বিশ্বৰ সকলো দেশৰ প্ৰথম প্ৰয়োজনীয়তা হৈ পৰিছে। যিহেতু এই কাম 'GAPP' নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠনে কৰি আছে, সেয়ে মই এই সংগঠনৰ সমৰ্থন কৰাটো মোৰ দায়িত্ব বুলি বুজো। তেওঁ GAPP ৰ দ্বাৰা দক্ষিণ এছিয়ান দেশসমূহৰ আৰু সমগ্ৰ বিশ্বৰ অন্তৰ্বৰ্তীকালীন সংসদ গঠন কৰাৰ পদক্ষেপক প্ৰশংসা কৰে। তেওঁ কয়- এই সন্মিলনত মোক দক্ষিণ এছিয়ান ইউনিয়নৰ প্ৰথমগৰাকী সংযোজক হিচাপে নিৰ্বাচিত কৰা হৈছে। ইয়াৰ বাবে মই ভাৰতৰ জনগণৰ প্ৰতি কৃতজ্ঞ। মোৰ বয়সৰ সীমাৱদ্ধতা থকা স্বত্বেও, মই এই পদৰ দায়িত্ব সঠিকভাৱে পালন কৰিম। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ খ্যাতনামা জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভূষণে সন্মিলনত বিশেষ অতিথিৰূপে ভাষণ প্ৰদান কৰি কয় যে আজি নিবনুৱা সমস্যা কেৱল ভাৰতৰেই সমস্যা নহয়, বিশ্বৰ বেছিভাগ দেশ এই সমস্যাত গুৰুতৰভাৱে আক্ৰান্ত। তেওঁ লগতে কয় যে আজিৰ ভয়ানক নিবনুৱা সমস্যাৰ মূল কাৰণ হ'ল সংকীৰ্ণ জাতীয়তাবাদ, বিশ্বব্যাপী প্ৰতিযোগিতাৰ অন্ধ দৌৰত লিপ্ত হোৱা বিশ্বৰ যৌথ বজাৰ ব্যৱস্থা আৰু চৰকাৰসমূহৰ সস্তীয়া ৰপ্তানিৰ প্ৰয়োজনীয়তা। তেওঁ ইয়াৰ উপৰিও পৃথিৱীৰ উষ্ণতা বৃদ্ধিত উদ্বেগ প্ৰকাশ কৰি এয়া সমগ্ৰ মানৱতাৰ বাবে ভাবুকি বুলি উল্লেখ কৰে। "আন্তৰ্জাতিক মানৱাধিকাৰ আৰু যুদ্ধৰ প্ৰতিৰোধ"ক হিচাপে 'GAPP' সংগঠনটোৱে হাতত লোৱা উদ্যমৰ শলাগ লৈ তেওঁ কয়-- দক্ষিণ এছিয়াৰ দেশসমূহৰ এখন উমৈহতীয়া মঞ্চ আৰু সমগ্ৰ বিশ্বৰ এটা সংযুক্ত ৰাষ্ট্ৰীয় চৰকাৰ (UNG) গঠন কৰাটো আজিৰ সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজন। পৰম্পৰাগত গোটবন্দীতাৰ সীমা অতিক্ৰম কৰি এতিয়া পৃথিৱীখন ৰক্ষাৰ সময় আহি পৰিছে। সেয়ে সকলোৱে বিশ্ব পৰিৱৰ্তন মিছনক সমৰ্থন জনোৱা উচিত। লগতে এই সমৰ্থন দৃশ্যমান কৰি তোলাটোও এক গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ ফলত আন লোকসকল আৰু বিশ্বৰ অন্যান্য সংগঠনসমূহ এই মঞ্চৰ সৈতে জড়িত হোৱাৰ অনুপ্ৰেৰণা লাভ কৰিব। বিশ্ব পৰিৱৰ্তন মিছনৰ প্ৰতিষ্ঠাপক বিশ্বাত্মাই সন্মিলনখনৰ সভাপতিত্ব কৰি কয় যে আধুনিক যুদ্ধ, কৃত্ৰিম বুদ্ধিমত্তা আৰু উন্নত যোগাযোগ প্ৰযুক্তিৰ কাৰণে তৃতীয় বিশ্বযুদ্ধ সংঘটিত হোৱাৰ পূৰ্বে জাতিসংঘক "একীভূত ৰাষ্ট্ৰীয় চৰকাৰ" হিচাপে ৰূপান্তৰিত কৰা উচিত। তেওঁ সকলো দেশক "অংশীদাৰী আৰু শান্তিৰ মন্ত্ৰনালয়" স্থাপন কৰাৰ পৰামৰ্শ দিয়ে আৰু ভাৰতক "বসুধৈৱ কুটুম্বকম্" (পৃথিৱীটো এটা পৰিয়াল) এই দৰ্শনৰ প্ৰৱৰ্তক হিচাপে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা ববিতা শৰ্মা গোৱেলে ৰাষ্ট্ৰীয় স্বাধীনতা আৰু বিশ্ব চৰকাৰৰ বাস্তৱতাবোধ সন্দৰ্ভত হোৱা সন্দেহসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ কয় যে জাৰ্মানীৰ একীকৰণ আৰু ইউৰোপীয় ইউনিয়নৰ গঠন কৰাৰ ক্ষেত্ৰত একেই সন্দেহ উত্থাপন কৰা হৈছিল, কিন্তু ইতিহাসে প্ৰমাণ কৰিছে যে এইবোৰ সফলতাৰে বাস্তৱায়িত হ'ব পাৰে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সংযুক্ত ৰাষ্ট্ৰসংঘক মানৱ অধিকাৰ পৰিষদৰ প্ৰতিনিধি হীৰকজ্যোতি বৰাই মানৱ অধিকাৰ বিষয়টি বাস্তৱায়িত কৰিবলৈ বিশেষ জোৰ দি মানৱ অধিকাৰ আৰু ৰাষ্ট্ৰসংঘৰ ব্যৱস্থাৰ ওপৰত বক্তব্য ৰাখে।

# পৰ্বতঝোৰাৰ ঐতিহাসিক ছাতাগুৰী কালি মন্দিৰৰ ৪৩ সংখ্যক কালী পূজা সম্পন্ন

**ই-সংবাদ, পৰ্বতঝোৰা, ১৬ ফেব্ৰুৱাৰীঃ** বি টি আৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ছাতাগুৰীৰ ঐতিহাসিক কালী মন্দিৰৰ ৪৩ সংখ্যক বাৰ্ষিক কালী পূজা শনিবাৰে নিশা ৮ বজাৰপৰা আৰম্ভ হৈ আজি পুৱতি নিশা সমাপ্ত হয়। উল্লেখ্য বগৰীবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে লাগি থকা ছাতাগুৰীৰ ঐতিহাসিক কালী মন্দিৰত এইবাৰৰ বাৰ্ষিক পূজাত আশিস বিচাৰি বিভিন্ন ঠাইৰপৰা কেইবাশ ভক্তই মা কালী গোহাঁনীৰ আশিস বিচাৰি সমবেত হয়। পিছত বিভিন্ন ঠাইৰ পৰা অহা অগণন ভক্তই শাৰীপাতি মাৰপৰা আশিস বিচাৰি তথা নিজৰ মঙ্গল কামনা কৰি মা কালী গোহাঁনীৰ ওচৰত পূজা-অৰ্চনাত ব্ৰতী হয়। লগতে উপস্থিত থকা হাজাৰ হাজাৰ ভক্তই উৰুলিৰ লগতে জয়ধ্বনি দি এক পৰম আধ্যাত্মিক চেতনাত বিলীন হোৱা পৰিলক্ষিত হয়। প্ৰতি বছৰৰ দৰে এইবেলিও নিশা ৮ বজাৰপৰা আৰম্ভ হোৱা এই পূজাত কেইবাশ ভক্তপ্ৰাণ ৰাইজ জাতি-ধৰ্ম নিৰ্বিশেষে উপস্থিত থাকি এক সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰে। পিছত এই বাৰ্ষিক পূজা উপলক্ষে অগণন ভক্তিপ্ৰাণ ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। বগৰীবাৰী অঞ্চলৰ বিশিষ্ঠ সমাজ সেৱক বিপ্লব মুখাৰ্জীৰ বিশেষ উদ্যোগ আৰু অঞ্চলটোৰ জাতি-ধৰ্ম নিৰ্বিশেষে ভক্তিপ্ৰাণ ৰাইজৰ সহযোগত প্ৰতি বছৰে এই পূজা অনুষ্ঠিত হৈ আহিছে। এই বাৰ্ষিক পূজা লৈ অঞ্চলটোত এক উখল-মাখল পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হয়।

# কলগাছিয়াৰ কে বি মাৰ্কেটত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, কলগাছিয়া, ১৬ ফেব্ৰুৱাৰীঃ** চৰকাৰে অগ্নিনিৰ্বাপক বাহিনীক যিমানেই উন্নত আৰু অত্যাধুনিক নকৰক কিয় কিন্তু কৰ্মক্ষেত্ৰত নিয়োজিত জোৱানসকলে যে কৰ্তব্যৰ প্ৰতি অৱহেলা কৰে তাৰে এক বাস্তৱ নিদৰ্শন দেখুৱাইছে কলগাছিয়াৰ গাতে লাগি থকা কে বি মাৰ্কেটত সংঘটিত হোৱা অগ্নিকাণ্ডই। জানিব পৰা মতে, বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত কলগাছিয়াৰ কে বি মাৰ্কেটৰ নিচেই কাষতে আজি সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। এই অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ যায় এটা গৃহৰ লগতে আন এটা বৃহৎ পৰিমাণৰ খেৰৰ দ'ম। জানিব পৰা মতে, দুপৰীয়া প্ৰায় ১২ মান বজাত আব্দুল বাতেনৰ ঘৰত হঠাৎ অগ্নিপাতৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডত এটা গৃহ ভস্মীভূত হোৱাৰ লগতে ওচৰতে থকা এটা খেৰৰ দ'মত জুই লাগি সম্পূৰ্ণৰূপে ভস্মীভূত হয়।

# বংশৰত ড০ হৰমোহন দাসৰ দুখনকৈ গ্ৰন্থ উন্মোচন

**ই-সংবাদ, শুৱালকুছি, ১৬ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ 'যাত্ৰা গ্ৰাম্য পুথিভঁৰাল, বংশৰ'ৰ উদ্যোগত দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ হৰমোহন দাসৰ দুখন গ্ৰন্থ আজি উন্মোচন কৰা হয়। বংশৰ হিমাশ্ৰী বিবাহ ভৱনত অৱসৰপ্ৰাপ্ত শিক্ষক কনক দাসৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত ড° হৰমোহন দাসৰ 'বংশৰ অঞ্চলৰ নদ-নদী আৰু পৰম্পৰাগত কৃষি' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট ভূতাত্তিক ড° অৱনী কুমাৰ ভাগৱতীয়ে। গ্ৰন্থ উন্মোচনী কৰি তেওঁ ব্ৰহ্মপুত্ৰ নদী উপত্যকাৰ সভ্যতাৰ বিষয়ে বিস্তাৰিতভাৱে ভাষণ প্ৰসংগত কয়। তেখেতে ভাষণ প্ৰসংগত ব্ৰহ্মপুত্ৰ নদী প্ৰায় তিনি হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰে এখন নদী ৰাষ্ট্ৰৰে প্ৰকৃতিৰ অনিষ্ট নকৰাকৈ বিয়পি আছে বুলি কৈ প্ৰকৃতি বহু শক্তিশালী বুলি মন্তব্য কৰে। তেওঁ ভাষণ প্ৰসংগত কয়-- ব্ৰহ্মপুত্ৰ নদী সভ্যতাই সমন্বয়ৰ সুৰ, সংস্কৃতিৰ প্ৰভাৱৰে প্ৰভাৱান্বিত কৰি আছে। ব্ৰহ্মপুত্ৰ নদী সভ্যতাই পলসুৱা মাটিত আলসুৱা মনৰ অধিকাৰী হৈ আছে। ব্ৰহ্মপুত্ৰ সভ্যতাত প্ৰায় ২৫০০ নৈ-বিল আছে বুলি মন্তব্য কৰি ভূতাত্বিক ড° অৱনী কুমাৰ ভাগৱতীয়ে ভাষণৰ শেষত বৰ্তমান নদী মানে বালি, নদী মানে বায়ু প্ৰদূষণ, নদী মানে ডাম্পাৰ। ডাম্পাৰে বহু মানুহৰ জীৱন দুৰ্বিষহ কৰি তুলিছে বুলি কয়। দলিবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সনাতন বৈশ্যই আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° হৰমোহন দাসৰ আন এখন গ্ৰন্থ 'জীৱনৰ প্ৰতিবিম্ব' উন্মোচন কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰঞ্জন কলিতাই। গ্ৰন্থখন উন্মোচন কৰি তেখেতে ড° হৰমোহন দাসৰ জীৱন কৃতী সম্পৰ্কে মন্তব্য কৰে। তেখেতে ভাষণ প্ৰসংগত শিক্ষক-গৱেষক ড° হৰমোহন দাসৰ আত্মজীৱনী 'জীৱনৰ প্ৰতিবিম্ব'ত সমাজৰ হিতৰ বাবে কাম আহিব বুলি কয়। কস্তুৰী মেধিৰ বৰগীতেৰে শুভাৰম্ভ কৰা গ্ৰন্থ উন্মোচনী সভাৰ আদৰণি ভাষণ দিয়ে যাত্ৰা গ্ৰাম্য পুথিভঁৰাল, বংশৰৰ সঞ্চালক ৰবীন পাঠকে। গ্ৰন্থ উন্মোচনী সভাত শিল্পী কৰিশ্মাৰাণী দাসে এটি সুন্দৰ গীত পৰিৱেশন কৰে। উন্মোচনী সভাত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা বিশিষ্ট সাহিত্যিক ডঃ দেবেন দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° নিত্যানন্দ ডেকা, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাস, বিজেপি নেতা প্ৰকাশ দাস আদি উপস্থিত থাকে। গ্ৰন্থ উন্মোচনী সভাত লেখক ড° হৰমোহন দাসে আত্মজীৱনী লিখাৰ আঁৰৰ কথা ব্যক্ত কৰে। শলাগৰ শৰাই আগবঢ়াই ডঃ ধ্ৰুৱজ্যোতি মালাকাৰে। শেষত লেখকৰ সৈতে সমজুৱাৰ আড্ডা এটিও অনুষ্ঠিত হয়।

# ভাষাচাৰ্য ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য জন্ম শতবাৰ্ষিকী আৰম্ভ

**ই-সংবাদ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰীঃ** ভাষাচাৰ্য, সাহিত্যাচাৰ্য, কামৰূপ ৰত্ন ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকীৰ প্ৰাৰম্ভিক অনুষ্ঠান আজি কটন বিশ্ববিদ্যালয়ৰ এলুমনাই হলত দিনটোজোৰা বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য স্মৃতিৰক্ষা সমিতি আৰু গুৱাহাটী আলোচনা-চক্ৰৰ যুটীয়া উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত পুৱা ১০ বজাত ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন কৰে উদ্যোক্তা দুয়োটা অনুষ্ঠানৰ সভাপতি তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি কনক চন্দ্ৰ শৰ্মাই। ইয়াৰ পিছতে সৰস্বতী বন্দনা পৰিৱেশন কৰে ডা: হিমলীনা গৌতমে। বৰগীত পৰিৱেশন কৰে ডা: কৰবী গোস্বামীয়ে। ইয়াৰ পিছত ড০ ভট্টাচাৰ্যৰ স্মৃতিচাৰণ অনুষ্ঠানত বেদান্ত শৰ্মা, পূৰবী বৰা, ড০ ৰোমান শৰ্মা, ইন্দ্ৰজিৎ ভট্টাচাৰ্য, ডা: শিখা শৰ্মাই অংশগ্ৰহণ কৰি ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ ব্যক্তিত্ব, চিন্তা আৰু মানৱতাবাদী আদৰ্শৰ ওপৰত আলোকপাত কৰে। দিনৰ ২ বজাত কনক চন্দ্ৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাৰ আদৰণি ভাষণ দিয়ে স্মৃতিৰক্ষা সমিতিৰ সম্পাদক ডা: অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই। 'অসমীয়া ভাষা আৰু ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা চিন্তা' শীৰ্ষক বিষয়ত মূল বক্তৃতা প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড০ দীপ্তি ফুকন পাটগিৰীয়ে কয়-- ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য ছাৰৰ দৃষ্টিভংগী আছিল উদাৰ। সকলো পৰ্যায়ৰ মানুহকে তেওঁ আকোঁৱালি ল'ব জানিছিল। এই অনুষ্ঠানত সংস্কৃত ভাষাত সাহিত্য অকাডেমি বঁটা প্ৰাপক ড০ দীপক কুমাৰ শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ দিলীপ কুমাৰ শৰ্মা, ড০ দয়ানন্দ পাঠক প্ৰভৃতিয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশ লৈ ড০ ভট্টাচাৰ্যৰ বিশাল ব্যক্তিত্ব আৰু কৰ্মৰাজিৰ বিষয়ে বক্তব্য দাঙি ধৰে।

# বিজেপি ঢেঁকৰগড়া মণ্ডলৰ ২৮ নং বুথৰ কৰ্মীসভা, কংগ্ৰেছ-অগপ কৰ্মীৰ বিজেপিত যোগদান

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৬ ফেব্ৰুৱাৰী:** যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ উজনি গায়ন গাঁৱত আজি বিজেপিৰ এখন কৰ্মী সভা অনুষ্ঠিত হয়। বিজেপি ঢেঁকৰগড়া মণ্ডলৰ উদ্যোগত ৪৪ নং মধ্য সৰুচৰাই গাঁও পঞ্চায়তৰ ২৮ নং বুথত অনুষ্ঠিত হোৱা কৰ্মীসভাত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনীত প্ৰাৰ্থীসকলক ৰাইজৰ সন্মুখত চিনাকি কৰাই দিয়ে। ৪৪ নং গাঁও পঞ্চায়তৰ নিৰ্বাচন সভাপতি দিগন্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যোৰহাট জিলা যুৱ মৰ্চাৰ প্ৰভাৰী জিতুমণি বৰাই। পঞ্চায়তৰ এলেকাভুক্ত অৰ্ধশতাধিক অগপ আৰু কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। সভাখনত হেমন্ত কলিতাৰ লগতে ভালেকেইজন বিষয়ববীয়া উপস্থিত থাকে।

# ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৬ ফেব্ৰুৱাৰীঃ** ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস ১২ ফেব্ৰুৱাৰীত পালন কৰে। মহাবিদ্যালয়ৰ সংগীত পৰিৱেশনৰে আৰম্ভ কৰা সভাখন বিভাগৰ মুৰব্বী সৰোজ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিগন্ত কুমাৰ ফুকনে কেক কাটি স্ব-ৰচিত গীত পৰিৱেশন কৰে। ২০২৬-২০২৭ বৰ্ষত বিভাগৰ ৰূপালী জয়ন্তী পালন কৰিবলৈ পৰামৰ্শ দিয়া সভাখনত বিভাগৰ শিক্ষক ৰাণাজিৎ গগৈয়ে বক্তব্য আগবঢ়ায়। সংগীতা হাজৰিকাই আঁতধৰা সভাত শিক্ষাৰ্থীৰ হৈ এনি সন্দিকৈ, হিমাদ্ৰী কছাৰীয়ে বক্তব্য আগবঢ়োৱাৰ লগতে ছাত্ৰ অনিল ভুঞা আৰু শিৱানী তুৰিয়ে নৃত্য প্ৰদৰ্শন কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলক চিৰনবীনীয়ান নামাংকিত কৰা সভাতে দিক্ষীতা বৰাই অধ্যক্ষগৰাকীক আদৰণী জনায়। সত্যব্ৰত সোণোৱালে অংকন কৰা মানচিত্ৰও অধ্যক্ষগৰাকীক প্ৰদান কৰে। সভাখন অনুষ্ঠিত কৰাত ছাত্ৰী অংকিতা বৰচেতিয়া, শিক্ষক সঞ্জীৱ ৰাজখোৱা, গ্ৰন্থাগাৰৰ সহায়ক নিৰঞ্জন বৰুৱা, কাৰ্যালয় সহায়ক পিনাক পাণি মহন্তই সহযোগিতা কৰে।

# পশ্চিম যোৰহাটত অসম সেনাৰ আঞ্চলিক সমিতি গঠন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৬ ফেব্ৰুৱাৰীঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম সেনাৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিখন আজি গঠন কৰা হয়। পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত অঞ্চলটোৰ ঢাপকটাস্থিত ললিত কলা মন্দিৰৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত দুই শতাধিক প্ৰতিনিধিৰ উপস্থিতিত মৃদুল বৰাক মুখ্য আহ্বায়ক হিচাপে লৈ ৪১ জনীয়া অসম সেনাৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিখন গঠন কৰা হয়। উল্লেখ্য, এই অনুষ্ঠানতে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শতাধিক সদস্যই অসম সেনাত যোগদান কৰে। উক্ত অনুষ্ঠানত অসম সেনাৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য আহ্বায়ক বিজয় শংকৰ বৰদলৈ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিতুল পাঠক, জিলা আহ্বায়ক অৰূপ পূজাৰী, মহানগৰ সমিতিৰ মুখ্য আহ্বায়ক গৌতম দাসৰ লগতে ছাত্ৰ সন্থা, অসম সেনাৰ বিষয়ববীয়া আৰু যোৰহাটৰ বিভিন্ন প্ৰান্তৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।



# হোজাইত শিশু উন্নয়ন প্ৰকল্পৰ কৰ্মী-সহায়িকা নিযুক্তিত ব্যাপক অনিয়ম

**ই-সংবাদ, মোৰাঝাৰ, ১৬ ফেব্ৰুৱাৰীঃ** হোজাই জিলা মহিলা ও শিশু উন্নয়ন প্ৰকল্পৰ সমাজ কল্যাণ বিভাগত ব্যাপকভাৱে অব্যাহত আছে দুৰ্নীতি-অনিয়ম। শেহতীয়াকৈ জিলাখনৰ ডবকাস্থিত বিন্নাকান্দি মহিলা ও শিশু উন্নয়ন প্ৰকল্পৰ সমাজ কল্যাণ বিভাগত অংগনবাড়ী কৰ্মী আৰু সহায়িকা নিযুক্তি প্ৰক্ৰিয়াত সংঘটিত হৈছে ব্যাপক কেলেংকাৰী। খালি হৈ থকা অংগনবাদী কৰ্মী আৰু সহায়িকা পদৰ নিযুক্ত প্ৰক্ৰিয়াত বৃহৎ অনিয়ম সংঘটিত হোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জনৈক ৰয় নামৰ জিলা সমাজ কল্যাণ বিষয়াগৰাকীৰ সৈতে মধ্যভোগী চক্ৰৰ গোপন বুজাবুজিৰ ফলত এনেবোৰ অনিয়ম সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। অভিযোগ অনুসৰি শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ত স্থায়ী চি ডি পি নথকাৰ সুযোগত জিলা সমাজ কল্যাণ বিষয়াগৰাকীয়ে চিঠি নং চিডিপি অ'(বি এন কে) এন/206/2018/19 নম্বৰযোগে 13/12/2023 তাৰিখে প্ৰকল্পটোৰ অন্তৰ্গত চাৰ্লক গাওঁ পঞ্চায়তৰ বেংচৰি চুবুৰী, ভেলুগুৰী পঞ্চায়তৰ সৰুপথাৰ, মুগা চুবুৰী,ডবকা পঞ্চায়তৰ গৰৈমাৰী ৰিজাৰ্ভ, আকাশী গংগা পঞ্চায়তৰ গংগাদিছা গাওঁ, নমাটি পঞ্চায়তৰ কাছাৰী পাৰা আৰু জয়নগৰ পঞ্চায়তৰ সূতাৰপুৰ আংগনাবাড়ী কেন্দ্ৰত খালি হৈ থকা কৰ্মী আৰু সহায়িকা পদৰ বাবে বিজ্ঞাপন জাৰি কৰিছিল। তথ্য মতে ১৩/১২/২০২৩ তাৰিখত ৬ টাকৈ আংগনাৱাড়ী কেন্দ্ৰত কৰ্মী আৰু সহায়িকা পদৰ বিজ্ঞাপন জাৰি কৰা হৈছিল। ২৫/৯/২০২৪ ইংৰাজী তাৰিখে পুনৰ জাননী জাৰি কৰি ৪/১০/২০২৪ ইংৰাজী তাৰিখে আবেদন কৰা যোগ্য প্ৰাৰ্থীৰ সাক্ষাৎকাৰ লোৱা হ'ব বুলি জাননীত উল্লেখ আছিল। কিন্তু ৰহস্যজনকভাৱে সাক্ষাৎকাৰৰ বাচনি তালিকাত বিন্নাকান্দি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া আৰু সমাজ কল্যাণ বিষয়াই এই সাক্ষাৎকাৰ বাচনি তালিকাত যথেষ্ট অনিয়ম সংঘটিত কৰি যোগ্য প্ৰাৰ্থীৰ বিপৰীতে অযোগ্য প্ৰাৰ্থীক সাক্ষাৎকাৰৰ যোগ্য তালিকাত অন্তৰ্ভুক্ত কৰি নিযুক্তিৰ যো-জা চলাই আছে বুলি গোপন সূত্ৰে প্ৰকাশ পাইছিল। এই অনিয়মৰ বিৰোধিতা কৰি প্ৰতিটো আংগনাৱাড়ী কেন্দ্ৰৰ চাৰ্ভে এলেকাৰ স্থানীয় ৰাইজৰ লগতে আবেদনৰপৰা বঞ্চিত হোৱা বহুতো যোগ্য প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰ স্থগিত ৰাখিবলৈ পূৰ্বৰ জিলা উপায়ুক্ত লাচিত দাসক অভিযোগ দিছিল যদিও ইয়াৰ ফলস্বৰূপে শূন্য। একেদৰে বিন্নাকান্দিৰ স্থায়ী চি ডি পি অনিযুক্তিৰ পাছত এই অবৈধ নিযুক্তি প্ৰক্ৰিয়া বন্ধ ৰাখিবলৈ জিলা সমাজ কল্যাণ বিষয়াৰ লগতে বিন্নাকান্দিৰ স্থায়ী চি ডি পি অ'কো অভিযোগ দিয়া হৈছিল। এই অভিযোগৰ পাছত কেচু খান্দোতে সাপ উলিওৱাৰ ভয়ত জিলা সমাজ কল্যাণ বিষয়া জনৈক ৰয়ে সাক্ষাৎকাৰ লোৱাৰ প্ৰায় দহ মাহ উকলি যোৱাৰ পাছতো সাক্ষাৎকাৰত যোগ্য বুলি বিবেচিত হোৱা প্ৰাৰ্থীৰ তালিকা বিভাগীয় কৰ্তৃপক্ষৰ কাৰ্যালয়ত জমা দিলে নে নাই সেয়াও ৰহস্যৰ আৱৰ্তত। যিসময়ত মুখ্যমন্ত্ৰীয়ে নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছ আৰু নিকা নিযুক্তিৰ বাবে তীক্ষ্ণ দৃষ্টিভংগীৰে প্ৰস্তুতি চলাইছে তেনে সময়তে হোজাই জিলা সমাজ কল্যাণ বিষয়াৰ এই ৰহস্যজনক কৰ্ম-কাণ্ডই সমগ্ৰ জিলাখনত তীব্ৰ সমালোচনাৰ সৃষ্টি কৰিছে। বৰ্তমানৰ হোজাই জিলা আয়ুক্তই বিষয়টো গুৰুত্বসহকাৰে লৈ এক উচ্চপৰ্যায়ৰ তদন্তৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত শিহৰণকাৰী ঘটনা, পৰ্যটকৰ বাহনত আক্ৰমণ প্ৰকাণ্ড গড়ৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৬ ফেব্ৰুৱাৰীঃ** প্ৰকৃতিৰ ৰম্যভূমি মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ দৈনিক দেশী-বিদেশী পৰ্যটকৰ আগমন বৃদ্ধি পাইছে। পৰ্যটনৰ বিভিন্ন জন্তু, চৰাই-চিৰিকটিৰ লগতে বাঘ আৰু গঁড়ৰ সংখ্যা বৃদ্ধিয়ে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে পৰ্যটকৰ। তাৰ লগে লগে কিন্তু দৈনিক পৰ্যটনৰ ওপৰত বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে মানাহ ৰাষ্ট্ৰীয় উদ্যানত। তেনে এক ঘটনা সংঘটিত হৈছে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জত। গঁড়ৰ আক্ৰমণৰপৰা কথমপি প্ৰাণৰক্ষা পৰে পৰ্যটকৰ দলটোৰ। ছাফাৰী চালকৰ তৎপৰতাত ৰক্ষা পৰে পৰ্যটকৰ দলটোৰ। উল্লেখ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যানত পূৰ্বেও সংঘটিত হৈছিল এনেকুৱা ঘটনা। এই বিষয়লৈ সজাগ নহয় বন বিভাগ। যাৰবাবে স্থানীয় সচেতন মহলে বিছাৰিছে বিহিত ব্যৱস্থা। কাৰণ প্ৰতিবাৰে একেটা গঁড়ে আক্ৰমণ সংঘটিত কৰি আহিছে।

# গোলকগঞ্জত কে এ চি কাৰ্যবাহী পৰিষদৰ কংগ্ৰেছত যোগদান

**ই-সংবাদ, গোলকগঞ্জ, ১৬ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ প্ৰধানী খেলপথাৰত আজি সাংসদ ৰকিবুল হুছেইনৰ উপস্থিতিত এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত কেইবাশ পুৰুষ-মহিলা সমৰ্থকক লগত লৈ কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী পৰিষদ কাৰ্তিক চন্দ্ৰ ৰায়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। কাৰ্তিক চন্দ্ৰ ৰায়ে সুদীৰ্ঘ দিন ধৰি ধুবুৰী জিলাত আক্ৰাছুৰ নেতৃত্ব বহন কৰি আছিল। কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদ গঠন হোৱাত তেওঁক কাৰ্যবাহী পৰিষদৰ দায়িত্ব প্ৰদান কৰা হয়। পৰিষদত থকা কালত এক বিতৰ্কতো তেওঁৰ নাম সাঙোৰ খায়। অৱশ্যে সেয়া ৰাজনৈতিক ষড়যন্ত্ৰ বুলি তেওঁ আখ্যা দিয়ে। আজি কংগ্ৰেছত যোগদান কৰাৰ কাৰণ সন্দৰ্ভত তেওঁ-- কয় বিজেপি কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ কথা কৈ ভোট লৈ আভুৱা ভাঁৰি আছে। জনজাতিকৰণ কৰাৰ কোনো সদিচ্ছা নাই। জনগোষ্ঠীটোৰ সংগঠনসমূহক ভাগ ভাগ কৰি নিজ স্বাৰ্থ পূৰণ কৰি আছে। আনহাতে, সাংসদ ৰকিবুল হুছেইনে ভাষণ প্ৰসংগত কয় যে বিজেপি চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীটোক ভাল নাপায়, সেয়ে মন্ত্ৰীসভাত এজনো মন্ত্ৰী নাই। সেই কাৰণে কংগ্ৰেছে কোনোদিনে সভা কৰিবলৈ সক্ষম নোহোৱা গোলকগঞ্জৰ প্ৰধানী খেলপথাৰত আজি প্ৰথমবাৰ কাৰ্তিকৰ নেতৃত্বত ইমান ৰাজবংশী লোকৰ সমাগম হৈছে। তেওঁ কয় গোলকগঞ্জৰ সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰত বিজেপিৰ নেতৃত্বত বৃহৎ ছিণ্ডিকেট চলি আছে। বাংলাদেশলৈ শিল-কয়লা সৰবৰাহ কৰা প্ৰতিখন ট্ৰাকৰ পৰা পাঁচশ টকাৰ চালান দি অতিৰিক্ত দহ হাজাৰ টকা সংগ্ৰহ কৰি আছে ছিণ্ডিকেট বাহিনীয়ে। এই ক্ষেত্ৰত ৰকিবুল হুছেইনে বিজেপিৰ লগতে সংবাদ মাধ্যমকো জগৰীয়া কৰে। সাংবাদিকে এই সন্দৰ্ভত ৰকিবুল হুছেইনক প্ৰশ্ন কৰে যে গোলকগঞ্জত কংগ্ৰেছৰ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰ আৰু কংগ্ৰেছৰ সাংসদ থকা সত্বেও কিয় নিমাতে বহি আছে?

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কলগাছিয়াৰ ৰামপুৰত চি পি আই (এম)ৰ আলোচনা চক্ৰ




**ই-সংবাদ, কলগাছিয়া, ১৬ ফেব্ৰুৱাৰীঃ** ৪৫ বছৰ আগতে দিয়া চি পি আই (এম)ৰ প্ৰস্তাৱক স্বীকৃতি দিলে উচ্চতম ন্যায়ালয়ে-- এই মন্তব্য বি এইছ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ চুলতান আলী আহমেদৰ। চি পি আই(এম)ৰ অসম ৰাজ্যিক কমিটিৰ প্ৰাক্তন সদস্য তথা জনদৰদী বিশিষ্ট শ্ৰমিক নেতা প্ৰয়াত কমৰেড আব্দুল কৰিম ভূঞাৰ দ্বাদশ মৃত্যু বাৰ্ষিকী উপলক্ষে বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ ৰামপুৰত আজি অনুষ্ঠিত এখন মুকলি আলোচনা-চক্ৰত ভাষণ প্ৰসঙ্গত এইদৰে কয় অধ্যাপকগৰাকীয়ে। পাৰ্টিৰ ৰূপসী, কলগাছিয়া আৰু তিতাপানী লোকেল কমিটিৰ যৌথ উদ্যোগত দিনৰ ১২ বজাত ৰামপুৰ বজাৰ প্ৰাঙ্গনত 'সংখ্যালঘুৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামত প্ৰয়াত কমৰেড আব্দুল কৰিম ভূঞাৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়বস্তুৰ ওপৰত অনুষ্ঠিত আলোচনা-চক্ৰত নিৰ্দিষ্ট আলোচক হিচাপে অংশগ্ৰহণ কৰি তেওঁ লগতে কয়-- ১৯৭৯ চনৰপৰা সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত সংঘটিত ছবছৰীয়া বহিৰাগত আৰু বিদেশী খেদা অসম আন্দোলনৰ সময়ত নেলী, গহপুৰ, চিলাপথাৰ, চাউল খোৱা, মুকালমুৱাত অমানৱীয় নৃশংস হত্যালীলা সংঘটিত কৰিলে। এই আন্দোলনৰ মূলতে আছিল ভিত্তিবৰ্ষ। আন্দোলনৰ নেতৃত্বই কৈছিল ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ ভিত্তিবৰ্ষ ১৯৫১ চন হ'ব লাগে। আনহাতে ১৯৭৮ চনত অসম বিধানসভাক প্ৰতিনিধিত্ব কৰা চি পি আই(এম)ৰ ১১ গৰাকী নিৰ্বাচিত বিধায়কে কৈছিল এন আৰ চিৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ হ'ব লাগে। আন্দোলনকাৰী নেতৃত্বৰ লগত বামপন্থী বিধায়কসকলে সহমত নিদিয়াৰ বাবে তেওঁলোকক বাংলাদেশীৰ দালাল বুলি আখ্যা দিয়ে। ভিত্তিবৰ্ষ নমনাৰ বাবে ছাত্ৰ সন্থাই নলবাৰী বিধানসভা সমষ্টিৰ বিধায়ক কমৰেড নৰেন দত্তক ৫০ দিন ঘৰত আবদ্ধ কৰি ৰাখিছিল। সৰভোগ বিধানসভা সমষ্টিৰ বিধায়ক কমৰেড হেমেন দাসৰ ঘৰত বোমা বিস্ফোৰণ কৰিছিল। ৪৯ জন বামপন্থী কৰ্মীক দিনৰ পোহৰত হত্যা কৰা হৈছিল। এই আন্দোলনৰ আঁৰত আছিল আৰ এছ এছ। আজি ৪৫ বছৰ পিছত চি পি আই (এম)য়ে ভিত্তিবৰ্ষ সম্পৰ্কে আগবঢ়োৱা প্ৰস্তাৱ আমাৰ দেশৰ উচ্চতম ন্যায়ালয়ে স্বীকৃতি দিলে বুলি কয় অধ্যাপকগৰাকীয়ে। সংখ্যালঘুৰ বিৰুদ্ধে ভৰপুৰ আন্দোলন চলি থকা জটিল সন্ধিক্ষনত বৃহত্তৰ কলগাছিয়া অঞ্চলত সন্মুখ শাৰীৰপৰা সংখ্যালঘু মানুহৰ অধিকাৰ ৰক্ষা কৰিবলৈ আপোচহীন নেতৃত্ব দিয়া মানহজন আছিল প্ৰয়াত আব্দুল কৰিম ভূঞা। কৰিম ভূঞাই এই শিক্ষাগ্ৰহণ কৰিছিল ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰপৰা। সেয়ে অনাগত দিনত চি পি আই(এম)ৰ শক্তি বৃদ্ধি কৰাৰ মাজেদি সংখ্যালঘুৰ অধিকাৰ ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনায়। আলোচনা-চক্ৰত ভাষণ প্ৰদান কৰি অসম গ্ৰামীণ বিকাশ বেংকৰ অৱসৰপ্ৰাপ্ত বেংক বিষয়া ইমান আলী আহমেদে কয়-- কমৰেড কৰিম ভূঞা আছিল বহুমুখী প্ৰতিভাৰ অধিকাৰী। মেধাৱী ছাত্ৰ হিচাপে ভূঞাক চাকৰি যাচিছিল যদিও সেয়া পৰিত্যাগ কৰি গৰীব, খাটি খোৱা, মেহনতি জনতাৰ মুক্তিৰ হকে তেওঁৰ জীৱন উচৰ্গা কৰিছিল। সংখ্যালঘু অঞ্চলত সংখ্যালঘু আৰু সংখ্যাগুৰুৰ মাজত বিভেদৰ ৰাজনীতি উৰ্দ্ধত চলি থকা অৱস্থাত সংখ্যালঘু মানুহৰ অধিকাৰ আদায়ৰ সংগ্ৰাম পৰিচালনা কৰাটো ইমান সহজ কাম নাছিল। ৰাতিৰ ভিতৰত সংখ্যালঘু লোকৰ বাবে ত্ৰাণকৰ্তাৰ উদ্ভৱ হৈ কমিউনিষ্ট আন্দোলনক পিছুৱাই দিছিল। সংখ্যালঘুৰ সমস্যা সংখ্যালঘু হিচাপে ঐক্যবদ্ধ হৈ কেতিয়াও তেওঁলোকৰ সমস্যা সমাধান সম্ভৱ নহ'ব যদিহে গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ সংখ্যাগুৰুসকলে সংখ্যালঘুৰ দাবীক সমৰ্থন নকৰে বুলি উল্লেখ কৰে বেংক বিষয়াগৰাকীয়ে। সভাত সৰুপেটা বি এইছ বি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ ফণীধৰ মেচে কয়-- বৰ্তমান বিজেপি চৰকাৰে সংখ্যালঘু আৰু সংখ্যাগুৰু উভয়কে শোষণ কৰিছে। বিজেপি চৰকাৰৰ এই শোষণৰ বিৰুদ্ধে সংখ্যালঘু আৰু সংখ্যাগুৰু লোকসকলে ঐক্যবদ্ধ হৈ প্ৰতিৰোধ গঢ়িবলৈ আহ্বান জনায়। লগতে প্ৰয়াত কমৰেড আব্দুল কৰিম ভূঞাই যি আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমাজত চলি থকা শোষণৰ পৰা ৰাইজক মুক্ত কৰিব বিচাৰিছিল, সেই আদৰ্শক প্ৰতিষ্ঠা কৰিবলৈ সকলো অংশৰ ৰাইজক আগবাঢ়ি আহিবলৈ ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। শতাধিক লোকৰ উপস্থিতিত আলোচনা-চক্ৰৰ বিষয়বস্তু উত্থাপন কৰে চি পি আই (এম)ৰ তিতাপানী লোকেল কমিটিৰ সম্পাদক শ্বেইখ আমজাদ হুছেইনে। আমন্ত্ৰিত অতিথিসকলক সম্বৰ্দ্ধনা জনায় পাৰ্টিৰ কলগাছিয়া লোকেল কমিটিৰ সম্পাদক আব্দুল কৰিমে। সভাত ধন্যবাদসূচক বক্তব্য আগবঢ়ায় ৰূপসী লোকেল কমিটিৰ সম্পাদক ৰুস্তম আলীয়ে। আলোচনা-চক্ৰটোত উপস্থিত থাকে প্ৰবীণ চি পি আই(এম) নেতা আব্দুল আজিজ, মইনুল হক, আয়নাল হক চৰকাৰ, মাজম আলী, চি পি আই(এম)ৰ জিলা সদস্য চানমামুদ আহমেদ, সাহজাহান আলী, প্ৰবীণ সাংবাদিক মৌলবী আব্দুল হামিদ, অৱসৰপ্ৰাপ্ত অধ্যাপক আবু ছাঈদ আহমেদ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ছিদ্দিক হুছেইন তালুকদাৰ, অধ্যাপক ডঃ গোলাম মোস্তফা আহমেদ, নজৰুল ইছলাম, বৰপেটা জিলা এছ আই আৰ ডিৰ প্ৰকল্প সহায়ক ছামচুল আলম প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল।

# তিনিচুকীয়াৰ বৰগুৰিত দুৰ্যোগ প্ৰশমনৰ আখৰা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৬ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া চহৰৰ বৰগুৰিস্থিত ল'ৰাৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) চৌহদৰ লগতে ইয়াৰ সন্মুখত থকা জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰত কালি দুৰ্যোগ প্ৰশমনৰ এক আখৰা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত আখৰাত তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়কো সামৰি লোৱা হয়। দুৰ্যোগ প্ৰশমন আখৰা পৰ্যৱেক্ষণ কৰাৰ বাবে শিক্ষাবিদ তথা অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ মুখ্য প্ৰতিপালক ড° ৰাজীৱ বৰদলৈ আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগ, ডিব্ৰুগড় জিলাৰ অৱসৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক দীপক কুমাৰ চাংমাইক জিলা প্ৰশাসনে নিয়োগ কৰে। আখৰাৰ পাছত দুয়োগৰাকী পৰ্যৱেক্ষকে দিনটোৰ আখৰা সন্দৰ্ভত খুঁটি-নাটি উনুকিয়াই দিয়াৰ লগতে সমস্যাসমূহ অৱগত কৰে। আখৰাৰ অন্তত অনুষ্ঠিত হোৱা আলোচনা কালত তিনিচুকীয়া জিলাৰ অতিৰিক্ত আয়ুক্ত তথা জিলা



দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া লীনা পাওৱে অংশগ্ৰহণ কৰি এই সন্দৰ্ভত আলোকপাত কৰে। আলোচনা কালত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প প্ৰবন্ধক (সহাঁৰি আৰু উদ্ধাৰ) ড° মিৰ্জা মহম্মদ ইৰছাদ আৰু প্ৰকল্প বিষয়া অংকুৰ বিকাশ, তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ নিতু বৰুৱা, অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, উপ-মুখ্য প্ৰতিপালক মনোৰঞ্জন মৰাণ আদি উপস্থিত আছিল। তিনিচুকীয়া জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীৰ জিলা প্ৰকল্প বিষয়া ৰুবী গগৈয়ে আঁতধৰা আখৰা আৰু আলোচনাত জিলাৰ পৰিবহণ, উদ্যোগ, তথ্য আৰু জনসংযোগ, লোক নিৰ্মাণ, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, খাদ্য আৰু অসামৰিক যোগান, বিদ্যুৎ, আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা, কোষাগাৰ আদি বিভাগৰ বিষয়াসকল উপস্থিত থকাৰ উপৰিও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সৈতে সংলগ্ন দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়াসকল উপস্থিত আছিল।

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক

**ই-সংবাদ, বৰপেটাৰোড, ১৬ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডত যোৱানিশা চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক কৰে বৰপেটাৰোড আৰক্ষীয়ে। ধৃত সৰবৰাহকাৰীজন ১ নং কাটাঝাৰ পথাৰৰ পৰেশ বসাকৰ পুত্ৰ নেপাল বসাক (৪৫) বুলি জানিব পৰা গৈছে। জব্দ কৰা গাঞ্জাখিনিৰ পৰিমাণ প্ৰায় ২ কিলো। ধৃত ব্যক্তিগৰাকীৰ গৃহৰ পৰা গাঞ্জাখিনিৰ সৈতে নগদ ৩০ হাজাৰ টকাসহ এটা মোবাইল ফোন জব্দ কৰিছে আৰক্ষীয়ে। নিশা বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত এটা আৰক্ষী দলে চলোৱা এই অভিযানত বৰপেটাৰোডৰ সমীপৰ ১ নং কাটাঝাৰ পথাৰৰ নিজ বাসগৃহৰপৰা পৰিমাণৰ গাঞ্জাসহ সৰবৰাহকাৰীজনক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যে বৰপেটাৰোড আৰক্ষীয়ে ধৃত নেপাল বসাকক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

# 'বৰদৈচিলা'ৰ বাবে লেখা আহ্বান

**ই-সংবাদ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰীঃ** ভোগৰাম-গুণেইবালা ন্যাসৰ উদ্যোগত বাৰ্ষিক আলোচনী 'বৰদৈচিলা'ৰ চতুৰ্থ বৰ্ষৰ চতুৰ্থ সংখ্যাৰ বাবে ইচ্ছুক লেখক-লেখিকাৰপৰা কবিতা, গল্প, অণুগল্প, প্ৰবন্ধ, বিহু বিষয়ক ৰচনা, লঘু ৰচনা, ভঠেলি, সুঁৱৰি আদি বিষয়ৰ লেখা আহ্বান কৰা হৈছে। ব'হাগ বিহুৰ আগে-আগে আলোচনীখন প্ৰকাশৰ বাবে যো-জা কৰা হৈছে বুলি ন্যাসৰ সম্পাদক ৰজত চন্দ্ৰ ভৰালীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে। লেখাসমূহ চুটি হোৱা বাঞ্ছনীয়। লেখা পঠোৱাৰ অন্তিম তাৰিখ অহা ১০ মাৰ্চ। প্ৰেৰণৰ ঠিকনাঃ ৰজত চন্দ্ৰ ভৰালী, সম্পাদক, বৰদৈচিলা, গাঁও-বঙালতোলা, ডাক-মাজৰকুছি-৭৮১১০২, জিলা-কামৰূপ (অসম)। ভ্ৰাম্যভাষ-৯৫০৮২-৭৬১৪১।




চৰাইদেউত অৰুণোদয় ৩.০ আঁচনিৰ জিলাপৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠকত মন্ত্ৰী যোগেন মহন

# ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উদ্যোগত ৰাণী অহিল্যাবাঈ হোলকোৰৰ ৩০০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে বক্তৃতানুষ্ঠান সম্পন্ন

**ই-সংবাদ, মাজুলী, ১৬ ফেব্ৰুৱাৰীঃ** মাজুলীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উদ্যোগত আজি পুণ্যশ্লোক ৰাণী অহিল্যাবাঈ হোলকোৰৰ ৩০০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে এক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। কমলাবাৰীস্থিত মাজুলী মিলন সংঘত অনুষ্ঠিত হোৱা উক্ত বক্তৃতানুষ্ঠানত বক্তা হিচাপে উপস্থিত থাকি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰচাৰক কৃষ্ণকান্ত বৰাই পুণ্যশ্লোক ৰাণী অহিল্যাবাঈ হোলকোৰৰ জীৱন সংগ্ৰাম আৰু দেশপ্ৰেমৰ ওপৰত বক্তব্য প্ৰদান কৰে। ভাষণত বৰাই আৰু কয় যে ভাৰতীয় সংস্কৃতিত নাৰীক সদায় মাতৃ জ্ঞান কৰা হয়। দেশৰ স্বাধীনতা সংগ্ৰামেই হওঁক বা দেশৰ বিভিন্ন সমস্যাৰ সময়ত দেশৰ মহিলাসকলে বিভিন্ন ধৰণে সেৱা প্ৰদান কৰাৰ লগতে দেশৰ বাবে প্ৰাণ আহুতি পৰ্যন্ত দি আহিছে। এনে ত্যাগী আৰু সাহসী মহিলাসকলৰ ভিতৰত পুণ্যশ্লোক ৰাণী অহিল্যাবাঈ হোলকোৰ আছিল অন্যতম আৰু যিগৰাকী মহিয়সী মহিলাই আজিৰপৰা ৩০০ বছৰৰ আগতেই দেশৰ মহিলাসকলক আগবঢ়াই নিয়াৰ মানসেৰে কাম কৰি আহিছিল বুলি তেওঁ ভাষণত উল্লেখ কৰে। সাহসৰ প্ৰতীক পুণ্যশ্লোক ৰাণী অহিল্যাবাঈ হোলকোৰৰ আৰ্দশেৰে আজিৰ মহিলাসকলক কাম কৰাৰ বাবে আৰ এছ এছৰ প্ৰচাৰক কৃষ্ণ কান্ত বৰাই আহ্বান জনায়। আৰ এছ এছৰ মাজুলীৰ সংঘচালক দ্বীপেন হাজৰিকাই সঞ্চালনা কৰা উক্ত বক্তৃতা অনুষ্ঠানৰ আঁতধৰে আৰ এছ এছৰ মাজুলীৰ কাৰ্যবাহ ত্ৰিণয়ন দত্তই। বক্তৃতানুষ্ঠানত মাজুলীৰ বিভিন্ন স্থানৰপৰা অহা দুই শতাধিক লোকে অংশগ্ৰহণ কৰে।

# নামনি মাজুলীৰ বিশিষ্ট ব্যৱসায়ী মুকুট ভট্টাচাৰ্যৰ মৃত্যু

**ই-সংবাদ বিশেষ, মাজুলী, ১৬ ফেব্ৰুৱাৰীঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বালিচাপৰিৰ বিশিষ্ট ব্যৱসায়ী, মিলিত কৃষ্টি সংঘৰ শিল্পী, বিশিষ্ট ক্ৰীড়া সংগঠক মুকুট ভট্টাচাৰ্যৰ আজি দুপৰীয়া মৃত্যু হয়। যোৱা কিছুদিন ধৰি যকৃৎ আৰু বৃক্কৰ ৰোগত ভুগি থকা মুকুট ভট্টাচাৰ্য আজি দুপৰীয়া হঠাতে ঢলি পৰে আৰু মৃত্যু হয়। মুকুট ভট্টাচাৰ্য নামনি মাজুলীৰ বালিচাপৰিৰ এগৰাকী প্ৰখ্যাত ব্যৱসায়ী আছিল। তেওঁৰ পিতৃ কৃষ্ণকান্ত ভট্টাচাৰ্যৰ জৰিয়তে প্ৰথমে তেওঁ বালিচাপৰিত ব্যৱসায় আৰম্ভ কৰিছিল। এটা সময়ত লখিমপুৰ জিলাৰ বিহপুৰীয়াতো তেওঁ বিভিন্ন ব্যৱসায় কৰিছিল। বালিচাপৰি তিনিআলিত তেওঁ ঔষধৰ ব্যৱসায় কৰাৰ উপৰিও ইলেক্ট্ৰ'নিক সামগ্ৰী আৰু ম'বাইল ফোনৰো ব্যৱসায় কৰিছিল। বালিচাপৰি উদয়জ্যোতি ক্লাবৰ তেওঁ প্ৰতিষ্ঠাপক আছিল। উদয়জ্যোতি ক্লাব প্ৰতিষ্ঠা কৰি অঞ্চলটোত ক্ৰীড়া, সংস্কৃতি প্ৰসাৰত মুকুট ভট্টাচাৰ্যয়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ভট্টাচাৰ্য নামনি মাজুলী বালিচাপৰি মিলিত কৃষ্টি সংঘৰ নিয়মীয়া শিল্পী আছিল। তেওঁ ৰাসোৎসৱৰ বিভিন্ন চৰিত্ৰত সুন্দৰ অভিনয় কৰাৰ লগতে ৰামধনী, অকৰা আদি চৰিত্ৰত সুন্দৰ অভিনয় কৰি যুগজয়ী খ্যাতি অৰ্জন কৰিছিল। আজি তেওঁৰ নশ্বৰ দেহত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জনায়। বিয়লি তেওঁৰ মৃতদেহ বালিচাপৰিৰ ঘৰৰ ওচৰত সৎকাৰ কৰা হয়। মুকুট ভট্টাচাৰ্যৰ মৃত্যুত বালিচাপৰি মিলিত কৃষ্টি সংঘ, উদয়জ্যোতি ক্লাব, বালিচাপৰি ব্যৱসায়ী সন্থা, বালিচাপৰি উন্নয়ন সমিতি, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি বীৰেন শইকীয়া, সমাজকৰ্মী নাৰায়ণ দত্ত আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে গভীৰ শোকপ্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ শিক্ষয়িত্ৰী পত্নী স্মৃতি ৰেখা ভট্টাচাৰ্য আৰু দুজন পুত্ৰৰ লগতে বহুতো আত্মীয়ক এৰি থৈ গৈছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৭ বছৰ। শিল্পী তথা ব্যৱসায়ী মুকুট ভট্টাচাৰ্যৰ মৃত্যুত সমগ্ৰ বালিচাপৰিত গভীৰ শোকৰ ছাঁ পৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বাক্সাত নলবাৰী আবকাৰী বিভাগৰ অভিযান

**ই-সংবাদ, বৰমা, ১৬ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলা আবকাৰী বিভাগে বাক্সা জিলা আবকাৰী বিভাগৰ অজ্ঞাতে বাক্সা জিলাত চলোৱা অভিযানক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিজৰ জিলাতেই সুৰা নিয়ন্ত্ৰণ কৰিব নোৱাৰা নলবাৰী আবকাৰীয়ে জিলাখনৰ সীমা অতিক্ৰম কৰি চলোৱা অভিযানক লৈ সচেতন মহলতো চৰ্চা আৰম্ভ হৈছে। নলবাৰী আবকাৰী বিভাগৰ বিৰুদ্ধে উঠিছে ভয়ংকৰ অভিযোগ । উল্লেখ্য যে যোৱা ১২ ফেব্ৰুৱাৰীত বাক্সা জিলাৰ গেল্লেজাৰৰ পৰা বুজন পৰিমাণৰ গাঞ্জা আৰু অৰুণাচলী মাদক দ্ৰব্যসহ অনিমা বড়ো নামৰ মহিলা এগৰাকীক আটক কৰে নলবাৰী আবকাৰী বিভাগে। বাক্সা জিলাৰ বৰমা আৰক্ষী থানাৰ অন্তৰ্গত গেল্লেজাৰত নলবাৰী আবকাৰীৰ সহকাৰী পৰিদৰ্শক প্ৰশান্ত পাঠক আৰু জ্যেষ্ঠ কনিষ্টবল প্ৰফুল্ল কলিতাৰ নেতৃত্বত এটা দলে বাক্সা আবকাৰী তথা আৰক্ষীক কোনোধৰণৰ অৱগত নকৰাকৈ এই অভিযান চলায়। নলবাৰী জিলাৰপৰা বহু নিলগত বাক্সাৰ গেল্লেজাৰত নলবাৰী আবকাৰীয়ে অভিযান চলাই যদিও আটক কৰা মহিলাগৰাকীক পিছলৈ এৰি দিয়ে। অৰুণাচলী সুৰা আৰু গাঞ্জা সৰবৰাহৰ সৈতে জড়িত মহিলাগৰাকীক জামিনত এৰি দিয়া হয় নে আন বুজাবুজিৰে এৰি দিয়া হ'ল সেই লৈয়ো প্ৰশ্ন উত্থাপন হৈছে। এই সন্দৰ্ভত নলবাৰী আবকাৰী অধীক্ষকৰ সৈতে যোগাযোগ কৰা হৈছিল যদিও তেওঁ এই বিষয়ে জ্ঞাত নহয় বুলি অৱগত কৰাৰ বিপৰীতে বাক্সাৰ আবকাৰী অধীক্ষকগৰাকীয়ে এই সমগ্ৰ ঘটনা নলবাৰী আবকাৰী অধীক্ষকক অৱগত কৰা বুলি জানিবলৈ দিয়ে।

# প্ৰবীণ বুদ্ধিজীৱী সমতুল্লা চৌধুৰীৰ দেহাৱসান

**ই-সংবাদ, শিমলীতোলা, ১৬ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ বাঘমাৰা চৰৰ বিশিষ্ট বুদ্ধিজীৱী, সু-চিন্তক, অৱসৰপ্ৰাপ্ত শিক্ষক, সমতুল্লা চৌধুৰীৰ বাৰ্ধক্যজনিত কাৰণত যোৱা নিশা ৮.২০ বজাত মৃত্যু হয়। জানিব পৰা মতে, কিছুদিন ধৰি স্বাস্থ্যৰ অৱনতি হোৱাত জি এম চি এইচত ভৰ্তি কৰাই প্ৰায় ১০ দিন চিকিৎসাৰ অন্তত যোৱা কালি ঘৰলৈ আনে যদিও তেওঁ অৱশেষত মৃত্যুৰ ওচৰত হাৰ মানে। সুদীৰ্ঘ ২৯ বছৰ বিনা বেতনে শিক্ষকতা কৰি মাত্ৰ ১৮ মাহ চৰকাৰী দৰমহা ভোগ কৰি অৱশেষত ২০১৫ চনৰ মাৰ্চ মাহত অৱসৰ লয়। তেখেতৰ উদাৰ ব্যক্তিত্ব, মহানুৱতা, সৰলতা, আৰু সততাৰ বাবে অঞ্চলজুৰি প্ৰিয়ভাজন আছিল। ১৯৭৪ চনত বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ দৰে অনুষ্ঠানৰ জন্ম দি অনুষ্ঠানটিৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে নেতৃত্ব দিয়াৰ উপৰিও ১৯৭৯ চনত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ উপ-সভাপতি, কামছুৰ প্ৰাক্তন সভাপতি, চৰ অঞ্চলীয় সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ মুখ্য উপদেষ্টা, ১৯৮৫ চনত সংযুক্ত সংখ্যালঘু মৰ্চাৰ কেন্দ্ৰীয় কমিটিৰ সদস্য, বাঘমাৰা চৰ জুনিয়ৰ কলেজৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল। ১৯৮১ চনত জলেশ্বৰ আমছুৰ জন্মৰ গুঁৰি ধৰোতা হিচাপে বিভিন্ন পৰামৰ্শ আগবঢ়াৱাৰ উপৰিও বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত হৈ নিজকে এজন সু-চিন্তক, সুদক্ষ, বিচক্ষণ ব্যক্তিত্বৰ পৰিচয় দিয়া প্ৰবীণ বুদ্ধিজীৱী সমতুল্লা চৌধুৰীৰ মৃত্যুত বাঘমাৰা চৰৰ লগতে চৰাঞ্চলত গভীৰ শোকৰ ছাঁ বিৰাজ কৰে। বাঘমাৰা চৰ ছাত্ৰ সংগঠনে তেখেতৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি কয় যে সমতুল্লা চৌধুৰীৰ মৃত্যু অঞ্চলটোৰ বাবে অপূৰণীয় ক্ষতি। আমি এজন ৰত্ন হেৰুৱালো। চৰাঞ্চলৰ সমাজখন প্ৰগতিৰ দিশে লৈ যোৱাৰ ক্ষেত্ৰত তেখেতৰ অৱদান সদায় স্মৰণীয় হৈ ৰ'ব। অবিবাহিত ব্যক্তিগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৪ বছৰ জানাজাৰ পূৰ্বে বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ লগতে আমছুৰ ফালৰ পৰা শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বাঘমাৰা চৰৰ লগতে বৃহত্তৰ চৰাঞ্চলৰ হাজাৰ হাজাৰ গুণমুগ্ধ, অনুৰাগীৰ উপস্থিতিত তেখেতৰ জানাজা সম্পন্ন হয়।

# তালাপত অচিনাক্ত বাহনৰ খুন্দাত নাহৰফুটুকীৰ মৃত্যু, ব্যথিত প্ৰকৃতিপ্ৰেমী

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৬ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ছেখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ তালাপ ৰে'লৰে ষ্টেচনৰ সমীপত আজি সন্ধিয়া অচিনাক্ত বাহনৰ খুন্দাত এটা নাহৰফুটুকী বাঘৰ কৰুণ মৃত্যু ঘটে। প্ৰত্যক্ষদৰ্শীৰ মতে, সন্ধিয়া প্ৰায় ৬-৩০ বজাত তালাপ ৰে'লৰে ষ্টেচন আৰু তালাপস্থিত ছেখোৱা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ মাজৰ অংশয়েদি এটা প্ৰাপ্তবয়স্ক মতা নাহৰফুটুকী বাঘে ৰাষ্ট্ৰীয় ঘাইপথটো অতিক্ৰম কৰিবলৈ লোৱাৰ সময়তেই ঘটনাটো সংঘটিত হয়। দ্ৰুতবেগী বাহনখনৰ খুন্দাত বাঘটো দূৰৈত চিটিকি পৰেগৈ। বাঘটোক খুন্দিয়াই বাহনখন তৎক্ষণাৎ সেই



স্থানৰ পৰা পলায়ন কৰে। ঘটনাৰ খবৰ পোৱা মাত্ৰকেই সমীপৰ ছেখোৱা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃত নাহৰফুটুকী বাঘটো উদ্ধাৰ কৰি কাৰ্য্যালয়লৈ লৈ আহে। নাহৰফুটুকীটোৰ কৰুণ মৃত্যুৰ খবৰে স্থানীয় প্ৰকৃতিপ্ৰেমী ৰাইজক ব্যথিত কৰি তুলিছে।

# চতিয়াত গোধন আক্ৰান্ত অচিন ৰোগত



**ই-সংবাদ, চতিয়া, ১৬ ফেব্ৰুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ মালৰ গাঁৱৰ সাধাৰণ গো-পালকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইটোৰ পাছত সিটো গো-ধনৰ মৃত্যু হৈছে নতুবা আক্ৰান্ত হৈছে অচিন ৰোগত। পথাৰত মুকলি মনেৰে চৰি থকা গৰু হঠাতে পাছ ভৰি দুখনে খোজকাঢ়িব নোৱাৰা হৈ পৰে আৰু জ্বৰ উঠি ধলি পৰে। এই ৰোগে গাই গৰু আৰু পোৱালিক বেছিকৈ আক্ৰমণ কৰা দেখা গৈছে। চতিয়াৰ মালৰ গাঁৱত বিগত দুটা দিনত ৫ টা গৰুৰ মৃত্যু হৈছে আৰু বহু গৰু এই ৰোগত আক্ৰান্ত হৈ আছে। অসমৰ পশু পালন আৰু পশু চিকিৎসা বিভাগে যদি এই বিষয়টো গুৰুত্ব আৰোপ নকৰে তেনেহ'লে বিভিন্ন গাঁৱত গো-ধন উদং হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে।

# দৰঙৰ দুমুনিচকীৰ হেটোমতোলাত উৰুচ মোবাৰকৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুমুনিচকী, ১৬ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ দুমুনিচকী সমীপৰ সম্প্ৰীতিৰ মিলনভূমি হেটোমতোলাৰ ঐতিহাসিক তেতেলীয়া পাহাৰত বিগত বৰ্ষৰ দৰেই এইবাৰো ২৭ ফেব্ৰুৱাৰীত আউলীয়াসকলৰ স্মৰণাৰ্থে বাৰ্ষিক জলচাহ আৰু উৰুচ মোবাৰক উদযাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। উৰুচ উদযাপন সমিতিৰ সভাপতি নজৰুল ইছলাম আৰু সম্পাদক ৰহিমুদ্দিন আহমেদে জানিবলৈ দিয়া মতে, জলচাহ কাৰ্য-ক্ৰমণিকা অনুসৰি উক্তদিনা পুৱা মোক্তাবৰ সৰু ল'ৰা-ছোৱালীৰ দ্বাৰা কোৰাণ পাঠ, আবেলি মিলাদে মেহফিল আৰু ওৱাজ নছিহত, নিশা মিলাদে মেহফিল, গজল পৰিৱেশন, আখেৰী দোৱা। স্থানীয় সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান ধৰ্মীয় অনুষ্ঠানটোত সহযোগ কৰিব বুলি জানিবলৈ দিছে। হিন্দু, মুছলমান, বড়ো সম্প্ৰদায় একেলগে বসবাস কৰা হেটোমতোলা তেতেলীয়া পাহাৰৰ উৰুচ মোবাৰকে সম্প্ৰতিৰ ঐতিহ্য বহন কৰি আহিছে। স্বচ্ছতাৰ দিশত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা উদযাপন সমিতিয়ে সিদিনা উৰুছ মোবাৰকৰ সমূহ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে।

# ছিনিয়ৰ ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়াত অসমৰ সাফল্য

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৬ ফেব্ৰুৱাৰীঃ** কেৰেলাৰ তিৰুৱান্তপুৰমৰ পীৰাপানকড একুৱাটিক কমপ্লেক্সত যোৱা ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈ আয়োজিত ৪৯ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অসম দলে এটা ৰূপৰ পদক আৰু দুটাকৈ ব্ৰঞ্জৰ পদক প্ৰাপ্তিৰে বিশেষ সফলতা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাত মাজুলীৰ মাধুৰ্য্য শৰ্মা আৰু ডিব্ৰুগড়ৰ প্ৰণৱ চাংমাইয়ে ৰিডীমিক পেয়াৰ ইভেন্টৰ পুৰুষৰ শাখাত দ্বিতীয়স্থানৰে ৰূপৰ পদক অৰ্জন কৰে। আনহাতে, ৰিডীমিক পেয়াৰ ইভেন্টৰ মহিলাৰ শাখাতো শোণিতপুৰৰ নিকীতা কোঁচ আৰু পূৰবী বৈশ্যই তৃতীয়স্থান দখলৰে ব্ৰঞ্জ পদক লাভ কৰাৰ বিপৰীতে ফ্ৰি ফ্ল' যোগা গ্ৰুপ ইভেন্টত প্ৰণৱ চাংমাই, মাধুৰ্য্য শৰ্মা, নিকীতা কোঁচ, অংকিতা দত্ত আৰু হৰ্ষিতা গোস্বামীয়ে তৃতীয়স্থানৰে ব্ৰঞ্জৰ পদক হস্তগত কৰে। উল্লেখ্যনীয় যে, অসম দলটোৱে যোৱা ৬ ফেব্ৰুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ নগাঁৱৰ ৰাজ্যিক যোগ কেন্দ্ৰ, নিৰ্বাণত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ শিবিৰত অসম যোগ সংস্থাৰ কাৰিকৰী সঞ্চালক বিচিত্ৰ ৰঞ্জন বৰা প্ৰশিক্ষক আৰু যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰা বৰাই মুখ্য প্ৰশিক্ষকৰূপে প্ৰশিক্ষণ প্ৰদান কৰিছিল। কেৰেলাৰ প্ৰতিযোগিতাখনত অসমৰ পৰা ৰেফাৰী ৰূপে নিজৰা বৰা, মিতালী দাস, ড° টুলুমণি দেৱী উপস্থিত আছিল। অসম দলটোৰ এই বিশেষ সফলতাত অসম যোগ সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা, সভাপতি তপন কুমাৰ দাস, সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ বৰা, কোষাধ্যক্ষ মঞ্জুলা লস্কৰৰ লগতে আন কেইবাজনো বিষয় ববীয়াই অভিনন্দন জনাইছে।

# নলবাৰীত প্ৰাইজমানী ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, বৰমা, ১৬ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলাৰ চামতীয়াপাৰা ক্ৰিকেট ক্লাৱৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক প্ৰাইজমানী টেনিছ বল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজিৰে পৰা তিনিদিনিয়াকৈ অনুষ্ঠিত কৰা হৈছে প্ৰাইজমানী ক্ৰিকেট বল প্ৰতিযোগিতা। চামতীয়াপাৰা এলপি স্কুলৰ খেলপথাৰত অনুষ্ঠিত খেলৰ প্ৰথম পুৰস্কাৰ ট্ৰফীসহ ১০০১ টকা আৰু দ্বিতীয় পুৰস্কাৰ ট্ৰফীসহ ৭০০১ টকা প্ৰদান কৰা হ'ব।

## ২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীত হ'ব আইপিএলৰ মহাযুঁজ

# ২২ মাৰ্চত আৰম্ভণি, ২৫ মে'ত অন্ত! আইপিএল ২০২৫ৰ সময়সূচী ঘোষণা

**নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰীঃ** ঘোষণা কৰা হ'ল ভাৰতীয় ক্ৰিকেটৰ মহোৎসৱ আইপিএল ২০২৫ৰ সময়সূচী। ২২ মাৰ্চৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতা ২৫ মে'ত অন্ত পৰিব। এই ছিজনৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ মাজত। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ২০০৮ চনত আইপিএলৰ প্ৰথমখন মেচত সন্মুখ সমৰত অৱতীৰ্ণ হৈছিল এই দুয়োটা দল। ইফালে, যোৱা বছৰৰ ৰানাৰ্ছ আপ ছানৰাইজাৰ্ছ হায়দৰাবাদে ২৩ মাৰ্চত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলিব। আনহাতে আইপিএলৰ আটাইতকৈ ৰোমাঞ্চকৰ মেচখন হ'ব মুম্বাই ইণ্ডিয়ানছ আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত। ২৩ মাৰ্চত ৱানখেড়েত খেলিব দুয়োটা দল, আৰু ২০ এপ্ৰিলত অনুষ্ঠিত হ'ব দ্বিতীয় লেগৰ মেচ। ইয়াৰ উপৰিও ২৮ মাৰ্চত চেন্নাইত চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ মাজত মুখামুখি হ'ব, আৰু ৩ মে'ত বেংগালুৰুত দ্বিতীয় লেগৰ খেল অনুষ্ঠিত হ'ব। অহা ৭ এপ্ৰিলত মুম্বাই ইণ্ডিয়ানছ আৰু বাংগালুৰুৰ বিৰুদ্ধে মুখামুখি হ'ব ৰোহিত শৰ্মা আৰু বিৰাট কোহলী। আৰু ২৪ মাৰ্চত লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ বিৰুদ্ধে বিশাখাপট্টনমত দিল্লী কেপিটেলছৰ বিৰুদ্ধে খেলিব, য'ত ঋষভ পন্টে নিজৰ পুৰণি দলৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে, ৰাজস্থান ৰয়েলছৰ দ্বিতীয় হোম গ্ৰাউণ্ড গুৱাহাটীত অনুষ্ঠিত হ'ব আইপিএলৰ দুখনকৈ খেল। ২৬ মাৰ্চত বৰ্ষাপাৰাত কেকেআৰৰ বিৰুদ্ধে খেলত নামিব ৰাজস্থান ৰয়েলছ। ইয়াৰ পিছতে ৩০ মাৰ্চত চিএছকে আৰু আৰআৰৰ মাজত হ'ব মুখামুখি ৰণ। এইবাৰৰ আইপিএলৰ সূচী মুম্বাই ইণ্ডিয়ানছৰ বাবে অলপ কঠিন, কিয়নো তেওঁলোকে ঘৰুৱা ক্ষেত্ৰত একেৰাহে দুখন মেচহে এবাৰহে খেলিব। চেন্নাই ছুপাৰ কিংছে ঘৰুৱা ক্ষেত্ৰত প্ৰথম ছয়খন খেলৰ চাৰিখন খেল খেলিব। আইপিএল ২০২৫ত দুখন কোৱালিফায়াৰ আৰু এটা এলিমিনেটৰ থাকিব। ২৩ মে'ত ইডেন গাৰ্ডেনত অনুষ্ঠিত হ'ব দ্বিতীয়খন কোৱালিফায়াৰ, ২০ মে'ত হায়দৰাবাদত অনুষ্ঠিত হ'ব প্ৰথমখন কোৱালিফায়াৰ, ২১ মে'ত হায়দৰাবাদত অনুষ্ঠিত হ'ব এলিমিনেটৰ। এইবাৰ মুঠ ৬৫ দিন চলিব আই পি এল, আৰু ১৩খন ষ্টেডিয়ামত ৭৪খন মেচ অনুষ্ঠিত হ'ব, যিটো যোৱা দুটা ছিজনৰ সমান।

# তৃতীয় ছিক্স-এ-ছাইড ভেৰ্টাণ ক্ৰিকেটত ব্ৰহ্মপুত্ৰ ছিক্সাৰ্ছ চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৬ ফেব্ৰুৱাৰীঃ** নগাঁও ক্ৰীড়া সংস্থা (এনএছএ)ৰ প্ৰথম ডিভিজনৰ স্বীকৃতিপ্ৰাপ্ত ক্লাৱ তথা জিলাখনৰ অন্যতম পুৰণি তথা আগশাৰীৰ ক্ৰীড়া আৰু সামাজিক অনুষ্ঠান ষ্টাৰ স্পৰ্টিং ক্লাৱৰ ৬১ সংখ্যক প্ৰতিষ্ঠাৰ দিৱস উদযাপনৰ স'তে ৰজিতা খুৰাই বিভিন্ন কাৰ্যসূচীৰ লগতে ক্লাৱৰ প্ৰাক্তন সভাপতি পুলিন শইকীয়া সোঁৱৰণি তৃতীয় বাৰ্ষিক ছিক্স-এ-চাইড ভেৰ্টাণ ক্ৰিকেট টুৰ্ণামেণ্টত ব্ৰহ্মপুত্ৰ চিক্সাৰ্ছে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত মুঠ আঠটা দলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত ব্ৰহ্মপুত্ৰ চিক্সাৰ্ছে যোৱাবাৰৰ ৰাণাৰ্ছ আপ সোণাই চিক্সাৰ্ছক চাৰি উইকেটত পৰাজিত কৰে। খেলখনত জ্যেষ্ঠ খেলুৱৈ দেৱজ্যোতি গোস্বামীৰ দল সোণাই চিক্সাৰ্ছে অভিজ্ঞতাসম্পন্ন পল্লৱ সেনৰ অপৰাজিত-৩৩ ৰাণৰ উল্লেখনীয় বৰঙনিৰে নিৰ্ধাৰিত ৫ অভাৰত দুটা উইকেট হেৰুৱাই ৫৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ব্ৰহ্মপুত্ৰ চিক্সাৰ্ছে গুঞ্জণ শৰ্মাৰ অপৰাজিত-৩০ আৰু ৰিটেশ জৈনৰ-২৫ ৰাণৰ উল্লেখনীয় অৱদানৰে ৪.৩ অভাৰত এটা উইকেটৰ বিনিময়তে ৬০ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্যত উপনীত হয়। ছেমিফাইনেলত সোণাই চিক্সাৰ্ছে ৰংঘৰ চিক্সাৰ্ছক চাৰি উইকেটত আৰু ব্ৰহ্মপুত্ৰ চিক্সাৰ্ছে কলং চিক্সাৰ্ছক ৬ ৰাণত হৰুৱাই ফাইনেলত উপনীত হৈছিল। কালি পুৱা ৯.১৫ বজাত পতাকা উত্তোলন, ৯.২৫ বজাত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পন কাৰ্যসূচীৰ পিছতে ৯.৩০ বজাত ক্ৰিকেট প্ৰতিযোগিতাখনি আৰম্ভ হয়। আজি বিয়লি প্ৰতিযোগিতাৰ অন্তত আয়োজক সমিতিৰ বিষয়ববীয়া মৃনাল কুমাৰ হাজৰিকাই আঁত ধৰা সামৰণি অনুষ্ঠানত সমাজসেৱিকা দীপা শইকীয়া, ৰিণ্টী শইকীয়া, বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, অসীম কুমাৰ ভাৱাল, সমীৰ হাজৰিকা, মৃনাল হাজৰিকা, সঞ্জয় কুমাৰ মাহাতু, আজহাৰউদ্দিন আহমেদৰ লগতে সমাজকৰ্মী প্ৰবীন দেৱনাথ, কল্যাণ শৰ্মা, দীপ হাজৰিকা, নিশান শইকীয়া, ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ কোষাধ্যক্ষ দেৱজিৎ দাস আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। ব্ৰহ্মপুত্ৰ চিক্সাৰ্ছৰ গুঞ্জণ শৰ্মা ফাইনেলৰ প্লেয়াৰ অৱ দ্যা মেচ আৰু প্লেয়াৰ অৱ দ্যা টুৰ্ণামেণ্ট, কলং চিক্সাৰ্ছৰ অৰ্পণ কাশ্যপ শ্ৰেষ্ঠ বেটাৰ আৰু ক্ষিৰোদ বৰা শ্ৰেষ্ঠ বলাৰৰূপে পৰিগণিত হয়। আজি প্ৰতিযোগিতাৰ মাজতে নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মা উপস্থিতহৈ খেলুৱৈসকলক উৎসাহিত কৰে আৰু তেওঁক আয়োজকসকলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সামৰণি অনুষ্ঠানতে ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ নিয়মীয়া খেলুৱৈ তথা ৰাজ্যৰ ৰঞ্জী ট্ৰফী দলৰ অন্যতম খেলুৱৈ মৃন্ময় দত্তকো বিশেষভাৱে সম্বৰ্ধনা আগবঢ়োৱা হয়। উল্লেখ যে, ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ সভাপতি আলোক গোস্বামী আৰু সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ হাজৰিকাকে ধৰি বিষয়ববীয়া, সদস্য-সদস্যাসকলে এই প্ৰতিযোগিতাত ক্ৰীড়াপ্ৰেমীয়ে জনোৱা উৎসাহজনক সঁহাৰিৰ বাবে সকলোকে বিশেষভাৱে ধন্যবাদ জনাইছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি